# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৬/২ অস্থিৰ বজেৰ

বিষয়ঃ

সভাপতিৰ সম্ভাষণ

আয়তি

আবাহন

ৰজা ঘৰীয়া সুৰণি চিঠি

চিকাৰ ঔষধ

জোৰণ দিবলৈ যোৱাত নাম

# সভাপতিৰ সম্ভাষণ।

নগৰীয়া ছাত্ৰ আৰু বন্ধুসকল!

পৰমেশ্বৰৰ কৃপাত আমি আজি এই সভা-ঘৰত গোট খাইছোঁহক। তেওঁৰ অশেষ করুণা, যে উদ্যোগী ডেকাসকলৰ মনত তেওঁ খুন্দিয়াই দি অসমত প্ৰথম এই ছাত্ৰসকলৰ মহাসভা, তেওঁলোকৰ দ্বাৰাই আহ্বান কৰোঁৱাইছে। বন্ধু-সকল! কাৰ্য্য আৰম্ভনৰ আদিতে আহক, আমি তেওঁৰ চৰণত নমস্কাৰ কৰি প্ৰাৰ্থনা কৰোঁহক, যেন আমাৰ সভাৰ সকলো কাৰ্য্য সুকলমে সম্পাদিত হয়।

ইয়াৰ পিছতে, আমাৰ ৰাজাধিৰাজ ভাৰত-সাম্ৰাজ্যৰ অধিপতি পঞ্চম জৰ্জ্জ আৰু এই দেশত তেওঁৰ সুযোগ্য প্ৰতিনিধি চিফ্-কমিশ্যনৰ মহামতি ছাৰ আৰ্চডেল আৰ্ল আৰু আসামহিতৈষী কৰ্ণেল গৰ্ডন মহোদয়কে আদি কৰি মুখ্য ৰাজ বিষয়া-সকলৰ কল্যান কামনা কৰি, আপোনাসকলৰ অনুমতি মতে এই সভাৰ সভা-পতিৰ আসন গ্ৰহণ কৰোঁ। মই পোন-প্ৰথমতে একে আষাৰেই কওঁ যে, এই আসন গ্ৰহণ কৰিবৰ যোগ্যতা মোৰ সমূলি নাই। সেইটো মই বড়িয়াকৈ জানিও যে তাতে নিৰ্ভয়ে আহিছোঁ, তাৰ কাৰণ;—আপোনাসকলৰ একান্ত ইচ্ছা আৰু অনুৰোধ, আৰু মোৰ প্ৰতি মৰম। মোলৈ আপোনাসকলৰ মৰম আৰু দয়া যে অধিক সেইটো মই বুজিছোঁ, নহলে নিশ্চয় মোৰ অযোগ্যতাৰ ফালে আপোনা-সকলৰ চকু পৰিলহেঁতেন, আৰু এনে গুৰুভাৰ মোৰ ওপৰত আপোনাসকলে কেতিয়াও অৰ্পণ নকৰিলেহেঁতেন। আজি ত্ৰিশ বছৰ মই আসাম-মাতৃৰ কোলা এৰি বিদেশত থাকি এক প্ৰকাৰ বিদেশী হৈ পৰিছোঁ; এনে স্থলতো যে আপোনাসকলে এই নিঃকিনলৈ নাপাহৰি, বিদেশৰ এচুকত নগণ্যভাৱে পৰি থকা এই অধম অযোগ্য ভাইক মৰমৰ জৰীৰে টানি আনি এনে সন্মানৰ আসনত বহুৱাইছে, সেইটোৱেই আপোনাসকলৰ কেনে উদাৰ হিয়াৰ চিনাকি দিছে সেইটো কথা আপনাসকলে মন কৰি চাইছে নে নাই কব নোৱাৰোঁ। কিন্তু

কথাটো হলে জল্ জল্ পট্ পট্। আপোনাসকলৰ এই উদাৰতা আৰু মৰম-চেনেহৰ প্ৰতিদান দিবলৈ মোৰ যোগ্যতা নাই সঁচা, কিন্তু আসাম আৰু অসমীয়াৰ প্ৰতি শ্ৰদ্ধা, কৃতজ্ঞতা, আৰু উপচি-যোৱা প্ৰেম, এই নিঃকিনৰ হিয়াত আছে এইটো হলে ধুৰুপ ; আৰু তাকে সমল কৰি লৈ আজি লাজ নকৰাকৈ আপোনা-সকলৰ আগত থিয়ও হৈছোঁ। অসম আইয়ে এই সভাক নিমিত্ত কৰি আপনাসকলৰ হতুৱাই মোক যি আদৰ সাদৰ কৰিছে, সি বাইবেলত লেখা Prodigal son অৰ্থাৎ অপৰাধী অপৰাধী পুত্ৰৰ ইতিহাস মোৰ মনত পেলাই দিছে।

আৰু একাষাৰ কথা এতিয়াই কৈ থওঁ যে, মোৰপৰা যদি কিবা নতুন কথা শুনিব, বা কোনো নতুন জ্ঞানৰ শিক্ষা পাব বুলি আপোনাসকলে আশা কৰিছে, তেন্তে নিশ্চয় নিৰাশ হব ; কাৰণ আপোনাসকলৰ বহুতে মোতকৈ সৰহ লেখা-পঢ়া শিকিছে, সৰহ কিতাপ পঢ়ি সৰহকৈ জ্ঞান উপাৰ্জ্জন কৰিছে, সৰহ বহুদৰ্শিতা লাভ কৰিছে,—যদিও মোৰ বয়স সৰহ। দুখৰ বিষয়, এই পৃথিৱীত বয়স বৃদ্ধিৰ লগে লগে জ্ঞান-বিস্তাৰ আহল-বহলৰ বৃদ্ধি সকলো লোকতে সদায় নঘটে ; আৰু দুখৰ বিষয়, যে সেইটো আপোনাসকলে বঢ়িয়াকৈ জানে ; নতুবা আজি পকা চুলিৰে, লুইতৰ চপৰা যেন এই জপৰা মুৰ গহীনকৈ জোকাৰি, নিস্তেজ চকুত তেজাল বিত-চকু লগাই, গহীনকৈ আষাৰচেৰেক পলসুৱা কথা কৈ, ভৰা-গৰা সভাপতি বোলাই আপোনাসকলৰপৰা হাত-চাপৰি এভাৰ মান কিজানি লৈ যাব পাৰিলোঁহেতেন। কিন্তু তেনে দুৰাশা নকৰোঁ, কাৰণ কৰিলে সি সফল হবৰ আগন্তুকো নাই ; আৰু বাস্তৱিক পক্ষত হবৰ সকামো নাই; কিয়নো, এই পৰদেশবাসী অপদাৰ্থ অসমীয়াৰ আকাঙ্ক্ষা তেওঁৰ ভাইসকলৰপৰা ভ্ৰাতৃস্নেহ হে, টপ্ টপ্ কৰে শবদ ওলাই থিতাতে মাৰ যোৱা হাত চাপৰি নহয়।

বন্ধুসকল! আজি সঁচাকৈয়ে আমাৰ বৰ আনন্দৰ দিন। আমাৰ দেশৰ চাৰিউফালৰপৰা ছাত্ৰসকল আহি একেঠাইতে গোটখাইছে, যিসকলৰ ওপৰতে আসামৰ ভবিষ্যত নিৰ্ভৰ ; যি সকলেই আজিৰ ছাত্ৰ, কিন্তু কাইলৈ আসাম-আইৰ মুখ পোহৰ কৰোঁতা গোটেই সৰ্ব্বহ অতি লাগতিয়াল প্ৰজা। একান্ত মনেৰে বাগ্‌দেবীৰ মন্দিৰত জ্ঞান চৰ্চ্চা কৰোঁতা এই ব্ৰহ্মচৰ্য্য ব্ৰতাৱলম্বী ছাত্ৰসকলৰ উৎসাহদীপ্ত মুখ দেখি এনে কোন আছে যাৰ হৃদয়ত বিমল



আনন্দৰ সোঁত নবলিব ? এনে কোন আছে, যি আজিৰ এই সভাঘৰত পুঞ্জীভূত হোৱা প্ৰফুল্ল উদ্যম আৰু প্ৰস্ফুটিত আশা সমষ্টিৰ একেঠাইতে সমাবেশ দেখি আৰু তাৰ সংসৰ্গলৈ আহি, নিজেও তেনেৰূপে অনুপ্ৰাণিত হৈ প্ৰদীপ্ত নহব ? নিশ্চয়কৈ কৈছোঁ, সংসাৰ-চক্ৰৰ শত আঘাতত জৰ্জ্জৰিত ব্যথিত এই বুঢ়াৰ শুকান হৃদয়তো আজি আনন্দৰ ঢল আহিছে, আৰু ডেকা বন্ধুসকলৰ উৎসাহ-বসন্তৰ বা লাগি এই শুকান গছতো আজি পোথা মেলিছে।

গুৱাহাটীত Students' Conference ছাত্ৰসকলৰ সম্মিলনী কৰিবৰ এই ভাব অতি সুন্দৰ ভাব, আৰু নিশ্চয় এই কাৰ্য্যৰপৰা আগলৈ অনেক সুফল ফলিব। প্ৰথমতে তো ই ছাত্ৰসকলৰ ভিতৰত ভ্ৰাতৃভাৱৰ গুটি সিঁচিবই, তাৰ উপৰি ই তেওঁলোকক একতাৰ বান্ধোনেৰে বান্ধি নিজৰ মঙ্গলকৰ আৰু স্বদেশহিতকৰ কাৰ্য্যলৈ বদ্ধপৰিকৰ কৰি তুলিব। উঠি-অহা ছাত্ৰসকলৰ সমবেত শক্তি বৰ ডাঙৰ শক্তি ; সি উপলুঙাৰ পাত্ৰ নহয়। জগতৰ ইতিহাসৰ পাতে পাতে ছাত্ৰসকলৰ সম্মিলিত শক্তিৰ মহা প্ৰভাৱ জিলিকি আছে। ইটালি, গ্ৰীচ, ৰুচিয়া প্ৰভৃতি দেশৰ উন্নতিৰ মূলত প্ৰবল ছাত্ৰ-শক্তিয়ে কাৰ্য্য কৰাৰ কথা কোনে নেজানে ? অক্সফোৰ্ড, কেম্ব্ৰিজৰ, ইটন, হেৰোৰ বিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰত হে যে আইকৈ বৃটিচ সাম্ৰাজ্যৰ জনম, চিন্তাশীলসকলে এই কথা স্বীকাৰ কৰিবই লাগিব। আজিৰ সুসভ্য জাপানৰ উন্নতিৰ বুৰঞ্জীৰ সোঁতাৰ আঁতি গুৰি বিচাৰিলে জাপানৰ বিশ্ববিদ্যালয়ৰ খোটালিত নোলাই নোৱাৰি। পুৰণি চীনৰ টোপনিৰ ব্যাঘাত ঘটাই তাক আজিৰ নতুন চীন কৰি তোলোঁতাসকলৰ গুৰিত ছাত্ৰসকলৰ প্ৰভাৱ। এই কালৰ কথাকে নেলাগে, প্ৰাচীন কাললৈ চকু দিলেও দেখি যে, পৃথিৱীৰ ভিতৰত পুৰণি ভাৰতক সকলোৰে নমস্য কৰি তোলোঁতাসকল সেই কালৰ বিদ্যাৰ আলয় তপোবনবাসী, আশ্ৰমবাসী আৰ্য্য ঋষি গুৰু আৰু ছাত্ৰসকল।

কিন্তু ছাত্ৰশক্তি যদিও প্ৰবল শক্তি, সি সংযত হলে হে দেশৰ হিতকৰ হয় ; নতুবা সি অনৰ্থ উৎপাদন কৰে। প্ৰবল ভাপ-কল (Steam Engine) সংযত আৰু নিয়মৰ বশীভূত ( regulated ) হলে হে তাৰ দ্বাৰাই মহোপকাৰ সাধিত হয়, নতুবা অসংযত আৰু উদ্দাম শক্তি-পুঞ্জৰ দ্বাৰাই অনৰ্থ হে সংঘটিত হয়। সংযম দুইভাৱে হব লাগিব, ব্যষ্টি আৰু সমষ্টিভাৱে, ব্যক্তিগতভাৱে আৰু

সমাজগতভাৱে, অৰ্থাৎ উজুকৈ কবলৈ গলে—গাইগোটাভাৱেও আৰু সৈন্ন্য-ভাৱেও। গাইগোটা-সংযম ছাত্ৰসকলে দিনৌ সকলো বকমে নিজৰ জীৱনত কৰি থকা উচিত। কিন্তু সৈন্য-সংযম আজিৰ এই ছাত্ৰ-সম্মিলনীৰ নিচিনা সভা-সমিতিৰ বাক্কোন আৰু শাসনৰ তলতহে ওপজে আৰু বাঢ়ে। ঈশ্বৰে কৰক, যেন আসামত প্ৰথম এই ডাঙৰ ছাত্ৰ-সম্মিলনীয়ে অসমীয়া ছাত্ৰসকলৰ ওপৰত সকলো প্ৰকাৰৰ সুপ্ৰভাৱ বিস্তাৰ কৰি তেওঁলোকক ভবিষ্যতৰ ideal citizen অৰ্থাৎ আদৰ্শ প্ৰজা কৰি তোলে।

জগতত সকলো শৃঙ্খলিত সংযত আৰু নিয়মৰ তলতীয়া। উদ্দাম উশৃঙ্খলতালৈ ঈশ্বৰৰ ৰাজ্যত ঠাই নাই। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰৰপৰা গছ লতা পশু পতং আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰ ধূলিকণালৈকে সকলো অখণ্ডনীয় নিয়মৰ বশীভূত হৈ চলিছে। তেন্তে কিয় আমি উদ্দাম অসংযত ভাৱে চলি নিজৰ আৰু পৰৰ অনৰ্থ ঘটাও আৰু ঈশ্বৰৰ নিয়মৰ বিৰোধী হৈ থিয় হৈ এই জীৱন দুখময় আৰু অসাৰ্থক কৰোঁ?

ছাত্ৰ বন্ধুসকল! এইটো মই বিশেষভাৱে আপোনাসকলক কওঁ যে যদি আপোনাসকলে নিজৰ এই মূল্যবান জীৱন সাৰ্থক কৰি স্বদেশ স্বজাতী আৰু বিৰাট মনুষ্যসমাজৰ উপকাৰত লগাব খুজিছে, তেন্তে ঈশ্বৰ-বিশ্বাসী হৈ ঈশ্বৰৰ অভিপ্ৰায় আৰু নিয়ম-কৰোনৰ প্ৰণালীয়েদি নিজৰ জীৱন ব্যৱস্থিত কৰক; কাৰণ কৰিবই লাগিব, নকৰিলে নচলে। পাহাৰিলে নচলিব যে এইটো ছাত্ৰ-জীৱন গঠনৰ প্ৰথম আৰু মাই কথা (First principle)। দুখৰ বিষয়, আজিকালি শিক্ষিত ডেকা ছাত্ৰসকলৰ ভিতৰত ভালেমানে এই কথাটোৰ গুৰুত্ব ভালকৈ উপলব্ধি নকৰে, আৰু ফলত তেওঁলোকৰ জীৱন নৈৰাশ্যৰ এক্কাৰৰ ধেমালিৰ পুতলা হয়। এই ডাঙৰ কথাটোলৈ যথোপযুক্ত মন নিদি চলি কত মেধাবী সুন্দৰ ডেকাই অনাহকত (Pessimist) দুখবাদী হৈ নিজৰ দুখ নিজে মাতি আনিছে,—দেখিলে মনত বৰ বেজাই লাগে। ঈশ্বৰ "সত্যং শিবং সুন্দৰং", তেওঁৰ ৰাজ্যত অসত্য, অশিব, অসুন্দৰৰ আদৰ কিয়? তেওঁ ভূমানন্দ; তেওঁৰ অংশ আমি নিৰানন্দক বৰণ কৰোঁ কি বুলি? তেওঁ অখণ্ড সুখ; তেওঁৰ সন্তান আমি অসুখক আদৰি আনি আমাৰ ঘৰখৰত বৰ-পীৰা পাৰি দি বহুৱাই নিজক অসুখী কৰোঁ কোন কাৰণত? আমাৰ নগৰীয়া ছাত্ৰবন্ধুসকলৰ ভিতৰৰ অনেকে নানা দৰ্শন বিজ্ঞানৰ শাস্ত্ৰ পঢ়িছে,



নানা শ্ৰেণীৰ দাৰ্শনিকসকলৰ অনেক কূটতৰ্কৰ সূক্ষ্ম আলোচনা নিজৰ মনতে, মালিনীয়ে মলা গোথাদি গুথি লৈছে, আৰু তেওঁলোকৰ ভিতৰৰ কোনো কোনোজন ফ্ৰেঞ্চ দাৰ্শনিক কম্‌টৰ পদাঙ্ক অনুসৰণ কৰি পজিটিভিষ্ট হৈছে, বিলাতী দাৰ্শনিক হিউম, মিল, আদিৰ মতাৱলম্বী হৈ সন্দেহবাদী, অজ্ঞেয়বাদী, বা নাস্তিকমত সমৰ্থনকাৰী হব খুজিছে,—নহলেও, তৰ্কৰ নিমিত্তে তেনে ভাব তেওঁলোকে মনত পোষণ কৰিছে। কিন্তু এইটো নিশ্চয় যে তেনে মত বা ভাবৰ বিষময় ফলৰ কথা তেওঁলোকৰ মনত ভালকৈ এতিয়াও খেলোৱা নাই দেখিছে তেনে বাট তেওঁলোকৰ মনমোহা হৈ পৰিছে। ঈশ্বৰত বিশ্বাসেইহে যে আমাৰ স্বাভাৱিক অৱস্থা, ঈশ্বৰৰ বিহিত নিয়মমতে আৰু ঈশ্বৰৰ অভিপ্ৰায়মতে আমাৰ জীৱন গঠন আৰু পৰিচালনাহে যে আমাৰ সহজ ভাব, আৰু তাৰ বিপৰীতটো অস্বাভাৱিক, এইটো সুবুজা বা নেদেখাৰ নিমিত্তেহে এনে ভুল বাটে বাট বুলা হয়।

আমি যে এই জ্ঞান বুদ্ধি আৰু শক্তিসম্পন্ন জীৱন পাইছোঁ, কৰপৰা পালোঁ? নিশ্চয় এনে এঠাইৰ আৰু এগৰাকীৰপৰা পাইছোঁ যি সেইবোৰৰ অনন্ত, অখণ্ড, সাৰ-নিজিগা ভঁৰাল। জড়, চেতন, সকলোৰে গুপিত এনে এজন আছে, যাৰপৰা অবিশ্ৰামৰূপে সেইবোৰ আহিব লাগিছে। সেই অনন্ত অব্যয় শক্তিময় পুৰুষে নিৰৱচ্ছিন্নভাৱে সৃষ্টি কৰিব লাগিছে, অলৰ-অচৰ বিধি বিহিব লাগিছে। আমাৰ জীৱনৰ প্ৰত্যেক মুহূৰ্তৰ প্ৰত্যেক কামতে সেইজনৰ হাত বৰ্ত্তমান। ক্ষুদ্ৰ বালিচাহী, ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰমাণু এটিও যে নিয়মৰ বহিভূৰ্ত নহয় সেইটো আমি সততে দেখি আছোঁ। যদি এইটো সঁচা, তেন্তে কাজেকাজেই এইটোও সঁচা নহয় নে যে, এই আইন বা নিয়ম কৰোঁতাজন, আৰু এই নানাৰূপে বিকাশিত শক্তিৰ নিয়ন্তাজন, আমি দেখা নিয়ম আৰু শক্তিতকৈ ডাঙৰ? সেইজনকেহে তো আমি পৰমেশ্বৰ বোলোঁ। এখন মহাসমুদ্ৰৰপৰা পানী ওলাই আহি নানা হ্ৰদ তড়াগ হলেও যেনেকৈ সেই হ্ৰদ তড়াগৰ পানী মহাসমুদ্ৰৰ পানীৰে একে, মাথোন আয়তন আৰু পৰিমাণত তাকৰ বা সৰু, সেই দৰে ক্ষুদ্ৰ আমি সৰু আমি সেই মহান ঈশ্বৰৰপৰা ওলাই আহিছোঁ যদিও তথাপি তেওঁৰে সৈতে একে। আমি ক্ষুদ্ৰাতিক্ষুদ্ৰ সেই বাবে আমাৰ শকতি তেওঁৰ শক্তিৰ তুলনাত ক্ষুদ্ৰাতিক্ষুদ্ৰ হবই।

সমুদ্ৰৰপৰা উৎপন্ন হোৱা ক্ষুদ্ৰ হ্ৰদ তড়াগৰ গুৰি সমুদ্ৰ, আৰু সমুদ্ৰৰ পানীৰ প্ৰবাহেহে সেইবোৰক পুৰাই ৰাখে, নতুবা সেইবোৰ শুকাই যাব। সেইদৰে আমাৰ অস্তিত্ব, আমাৰ তেজ, সেই মহেশ্বৰৰপৰা সততে পাই থাকিলেহে আমি মুশুকুৰাকৈ সতেজ হৈ জীয়াই থাকিব পাৰোঁ।

তেনেহলে আমি আমাৰ হৃদয়ৰ দুৱাৰ এনেকৈ মেলি ৰাখিব লাগিব, যাতে সততে সেই পৰমপুৰুষ ঈশ্বৰৰ প্ৰবাহ আমাৰ ভিতৰলৈ আহি থাকিবলৈ পায়। ঈশ্বৰেৰে সৈতে যে আমি অভিন্ন, আমাৰ গুৰি যে তেওঁ, এই কথা আমি পাহৰিব নেলাগে। কিন্তু এটোপা পানীতকৈ যেনেকৈ মহাসমুদ্ৰ লক্ষ কোটীগুণে শক্তিশালী আৰু মহান্, সেইদৰে আমাৰ ঈশ্বৰো যে আমাতকৈ লক্ষকোটীগুণে ডাঙৰ, সেই কথাও পাহৰিব নেলাগে; আৰু তেওঁৰে সৈতে সততে আমাৰ যোগ ৰাখি তেওঁৰ শক্তি সামৰ্থ্য প্ৰেম, করুণা, জ্ঞান বিস্তাৰ সোত আমাৰ ভিতৰলৈ ধাৰ নিছিগাকৈ আহি থাকিবলৈ দিব লাগিব, নতুবা আমাৰ আধ্যাত্মিক মৃত্যু নিশ্চিত। এই যোগ ৰাখিবাৰ উপায় তেওঁৰ বিহিত নিয়ম বিধি-বিধানেৰে পৰিচালিত হৈ তেওঁৰে সৈতে সদায় আমাক মিলাই ৰখাটোৱেই। পৃথিৱীৰ ভিতৰত যিসকলে মহাপুৰুষ বুলি খ্যাতি লাভ কৰি গৈছে, সেইসকলে এইদৰে নিজৰে সৈতে পৰমেশ্বৰৰ শক্তিৰ প্ৰবাহৰ মিল ৰাখিহে তেনে কৰিব পাৰিছে। তেওঁলোকে নিজৰ জীৱনৰ দুৱাৰ মুকলি কৰি সেই অনন্ত শক্তিশালীৰ শক্তিৰ সোত তালৈ বলাই নি নিজৰ জীৱনকো শক্তিশালী কৰি মহাপুৰুষ বা ঐশ্বৰিক পুৰুষ বা God-man হৈছে। ঈশ্বৰৰ গুণ আৰু শক্তি সৰহকৈ যি মানুহত বিকাশিত হয়, সেইজনেই মহাপুৰুষ বা শ্ৰেষ্ঠ মনুষ্য। অসীম শক্তিশালী অনন্ত ঈশ্বৰৰ অংশ বা সন্তান মানুহৰ শক্তিকো বেড়ি সীমাবদ্ধ কৰিব নোৱাৰি; সি সুস্থ হৈ থাকিলে, বেৰ ভাঙি ওলাই বিয়াপি যাবই। যি যিমান পৰিমাণে পৰমেশ্বৰৰ শক্তিৰ প্ৰবাহ নিজৰ জীৱনত সোমাবলৈ দিব, সি সিমান পৰিমাণে God-man অৰ্থাৎ ঐশ্বৰিক শক্তিশালী পুৰুষ হব। আমি এই কথা নাভাবি নাজানি, অনাহকত নিজকে সৰু কৰি কোঁচাই লৈ হে বাউনা হওঁহঁক। মজাৰ কথা এইটোহে, যে আমি যিমান নিজক অক্ষম অপাৰগ মানুহ ভাবি সৰু কৰিম, সিমান আমি সৰু হৈ যাম, আৰু যিমান ঈশ্বৰৰ সন্তান বা অংশ আৰু বাস্তৱতে আমাৰে সৈতে তেওঁৰ



প্ৰকাৰৰ কোনো প্ৰভেদ নাই বুলি ভাবি তেওঁৰে সৈতে আমাৰ সংযোগ আৰু মিল ৰাখিম, সিমান আমি উন্নত হৈ যাম।

ঈশ্বৰক আমি চৰ্ম্ম-চকুৰে দেখিবলৈ নাই পোৱা বুলি যে তেওঁ নাই এনে নহয়। বাস্তৱিকপক্ষত আমি এই জগতৰ নিচেই তাকৰ ভাগ বস্তুহে আমাৰ চকুৰে দেখিবলৈ আৰু কাণেৰে শুনিবলৈ পাওঁ। আজিকালিৰ বিজ্ঞানে (science) বিশেষভাৱে প্ৰমাণ কৰি দেখুৱাইছে যে আমি এক প্ৰকাৰ অন্ধ আৰু কলা। এই চকুৰে নেদেখা আৰু কাণেৰে নুশুনা এনে অনেক বস্তু আছে, যাৰ অস্তিত্বৰ বিষয়ে সন্দেহ নাই। অধ্যাপক জগদীশ বসুৰ প্ৰস্তুত (artificial eye) কলৰ চকুৱে আমাৰ চকুৱে নেদেখা অনেক বস্তু দেখে। আমাৰ কাণে নুশুনা এনে (note) শব্দ ইমান বেছি বিধৰ আছে যে সেইবোৰৰ বিষয়ে শব্দবিজ্ঞানে কোৱা বৃত্তান্ত অৱগত হলে আমি নিজক ধুন-কলা নুবুলি থাকিব নোৱাৰোঁ। আমাৰ চকু কাণ আদি ইন্দ্ৰিয় কিমান চোকা তাক জানিবলৈ বিজ্ঞানৰ (science) কাষলৈকে যাব নেলাগে, দিনৌ আগতে ওলাই আছে। এটা কুকুৰে আমাতকৈ ভালকৈ শুনিবলৈ পায়, এটা মেকুৰীয়ে আমাতকৈ ভালকৈ দেখিবলৈ পায়। এইটো আমাৰ ইন্দ্ৰিয়ৰ ক্ষমতা! এতেকে ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে ইন্দ্ৰিয়ৰ সাক্ষী মানেতো প্ৰত্যক্ষবাদীসকলৰ ভেটি কিমান শকত বুজা গল। বাস্তৱিকপক্ষত প্ৰত্যেক বস্তুৰেই, আমাৰ দৃষ্টিৰ গোচৰ হোৱাৰ আগতে যে দৃষ্টিৰ অগোচৰত তাৰ অস্তিত্ব, তাক নুই কৰিব কোনে? স্পষ্ট দৃষ্ট পদাৰ্থৰ অস্তিত্ব অদৃষ্ট অৱস্থাত থাকিবই লাগিব নতুবা সি কৰপৰা দৃষ্ট হবহি? শূন্যৰপৰা শূন্য হে ওলাব পাৰে, অশূন্য বা বস্তু ওলাব নোৱাৰে। দৃষ্ট বস্তু পৰিবৰ্ত্তনশীল, সেইদেখি অদৃষ্ট বস্তুহে বৰং real অৰ্থাৎ প্ৰকৃত। মুঠতে seen অৰ্থাৎ দৃষ্ট বস্তু নেদেখাৰ অৰ্থাৎ unseen-অৰ effect ফল, অদৃষ্ট বস্তু cause অৰ্থাৎ কাৰণ। Thought অৰ্থাৎ চিন্তাক কোনেও দেখিবলৈ নেপায়, কিন্তু সিয়েই পৰিব্যক্ত কাৰ্য্য আৰু সিয়েই বস্তুৰ সৃষ্টিকাৰক। বাক্য, চিন্তাৰ বাহিৰৰ পৰিব্যক্তি মাথোন। ৰাকাই চিন্তাশক্তিক ব্যৱহিত কৰি এটা বিশেষ বাটত পেলায়। Thoughts are forces চিন্তাবোৰ একো একোটা শক্তি। এইটো বৈজ্ঞানিক সত্য যে "Like attracts like" অৰ্থাৎ সমধৰ্ম্মী বস্তুৱে সমধৰ্ম্মী বস্তুক আকৰ্ষণ কৰে। আমি চকুৰে দেখা জগতত

এইটো যেনে সত্য, নেদেখা জগততো এইটো তেনে সত্যই। সেইদেখি আমাৰ চিন্তা এনে Godly সুনিৰ্ম্মল, ওখ আৰু পবিত্ৰ হোৱা আবশ্যক যে সি যেন নিৰ্ম্মল নিৰঞ্জন ঈশ্বৰৰ thoughts-এৰে বিপৰীতধৰ্ম্মী নহৈ সমধৰ্ম্মী হয়। তেনে হলেহে আমাৰ অধঃপতন নহৈ উন্নতি হব। সজ চিন্তা সজ আলাপ সৎসঙ্গ সজ কিতাপ পঢ়া সেইদেখি আমাৰ অতি আৱশ্যকীয়,—কায় বাক্য মনেৰে আৱশ্যকীয়; আৰু তেনেহলেহে আমাৰ উন্নতি অনিবাৰ্য্য। তেনেকৈ ইয়াৰ বিপৰীত-মুখী জীৱনৰ অধোগতিও অনিবাৰ্য্য। Spiritual অৰ্থাৎ আধ্যাত্মিক উন্নতিৰ কথা এৰিলেও, শৰীৰ নিৰুগীয়া কৰি ৰাখিবলৈ সজ চিন্তা সজ আৰু উন্নত thought ভাব নহলে নহয়। কাৰণ যেনে চিন্তা আমাৰ শৰীৰৰ ভিতৰত সোমাব, সি তেনেকৈ আমাৰ শৰীৰক গঢ়ি নিব। চিন্তাৰে সৈতে যে শৰীৰৰ ঘনিষ্ঠ সম্পৰ্ক তাক অস্বীকাৰ কৰিবৰ উপায় নাই। ভয়ৰ চিন্তাই গা থৰক-বৰক লগোৱা কোনে দেখা নাই? খং আৰু আনন্দ আদিয়ে শৰীৰৰ পৰিবৰ্ত্তন ঘটোৱা দিনে চকুৰ আগৰ ঘটনা। বৰ খঙৰ পিছত মূৰকামোৰণি ৰোগ ভুগা অনেক লোক দেখিছোঁ। হঠাৎ বৰ বেয়া বাতৰি, বৰ শোকৰ কথা শুনি মানুহ বিবৰ্ণ হৈ মূৰ্চ্ছা যোৱাটো আপোনাসকলে অনেকে দেখিছে। ডাক্তৰী শাস্ত্ৰত আছে যে তেনে অৱস্থাত মানুহৰ মুখৰ লেলাউটি বিষাক্ত হয়। Sensualiy অৰ্থাৎ তলশ্ৰেণীৰ ৰিপুবিলাকৰ চিন্তাই শৰীৰক অধইচ প্ৰকাৰে উত্তেজিত কৰে। এইবোৰ শৰীৰৰ ওপৰত thought চিন্তাৰ প্ৰভাৱৰ কথা নহয় নে?

আমাৰ ডেকাসকলৰ বহুতক pessimism অৰ্থাৎ জগৎ দুঃখময় বুলি দুঃখবাদক বৰণ কৰা দেখা যায়। সংসাৰত নানা দুখ কষ্ট দেখি আৰু নিজেও ভুগি, যাইকৈ নিজৰ প্ৰদীপ্ত কল্পনাৰে সেইবোৰকে আৰু বেছিকৈ প্ৰদীপ্ত কৰি যে তেওঁলোকৰ মনৰ ভাব তেনে হয়, সেইটো বুজিব পাৰি। কিন্তু এইটো ঠিক যে সেইটো তেওঁলোকৰ অল্পদৃষ্টি বা অদীৰ্ঘদৰ্শিতাৰ ফল। নিজৰ দৃষ্টিক সীমাবদ্ধ কৰি ললেই pessimism-অলৈ অৰ্থাৎ দুঃখবাদলৈ ঠাই ওলায়, আৰু সীমা বহলাই সম্পূৰ্ণকৈ চাব পাৰিলেই পোহৰৰ আগত এন্ধাৰ পলোৱাদি opti-mi.m অৰ—অৰ্থাৎ ঈশ্বৰৰ ৰচনা এই বিশ্বসংসাৰ সৰ্ব্বোৎকৃষ্ট, আৰু সুখময়, আৰু মধুময় ঈশ্বৰৰ এই সৃষ্ট জগতো মধুময়—এই মতৰ আগত pessimism পলায়।



অখণ্ড অব্যয় ভূমানন্দ ঈশ্বৰৰ ৰাজ্যত নিৰানন্দ কত? সকলো সুখৰ অনন্ত আধাৰৰ সৃষ্টিত অসুখ কত? কিন্তু তুমি কবা, অনেক, অনেক। ময়ো তোমাৰ সৈতে একে মত হৈ কওঁ "অনেক" হয়, কিন্তু সেই অসুখ সেই নিৰানন্দবোৰ কাৰ সৃষ্টি? তোমাৰ নে তেওঁৰ? নিশ্চয় তেওঁৰ নহয়। তেন্তে কাৰ? নিশ্চয় তোমাৰ। তুমি ঈশ্বৰৰ বা স্বভাৱৰ নিয়ম লঙ্ঘন কৰি তোমাৰ ওপৰলৈ, আৰু তোমাৰে সৈতে সম্পৰ্ক কৰোতাসকলৰ ওপৰলৈ দণ্ড আনা আৰু সেই দণ্ড পাই পিছত সংসাৰ দুখৰ ঠাই বুলি কৈ দুঃখবাদী ( pessimist ) হোৱা। দুখ কষ্টক তুমি দিনে ৰাতিয়ে মনতে পাগি পুৰি থাকি তাক পোহ-পাল দি ডাঙৰ কৰি বঢ়াই লোৱা, আৰু আন ঠাইৰো দুখ কষ্ট যত পাৰামানে মনৰ জৰীৰে টানি আনি তাৰে একেলগ কৰা, আৰু শেহত তাৰ চেপাত পৰি কোৱা—"সংসাৰ দুখৰ ঠাই!" তুমি আনন্দ আৰু সুখৰ চিন্তাক আহ্বান কৰি পৰমানন্দ পৰম সুখময় ঈশ্বৰৰ অংশ বুলি নিজক সম্পূৰ্ণৰূপে সেই চিন্তাত প্ৰতিষ্ঠাপিত কৰি চোৱাঁচোন তোমাৰ কি বিমল আনন্দ হয়, আৰু ( pessimism ) কলৈ লৰি পলায়। তেনেহলে "Like attracts like" এই নিয়মে তোমালৈ চাৰিউফালৰপৰা সুখৰ ভাববোৰ আকৰ্ষণ কৰি আনি তোমাক আশাতীত সুখীয়া কৰিব। চিন্তা আমাৰ নিজৰ সম্পত্তি, তাক আমি ব্যৱহৃত কৰি সু ও কৰিব পাৰোঁ, কু ও কৰিব পাৰোঁ। সু কৰিলে আমাৰ সৰ্ব্বতোভাবে মঙ্গল, কু কৰিলে সৰ্ব্বতোভাবে অমঙ্গল। সুখ দুখ আমাৰ নিজৰ হাতত নিশ্চয়। মঙ্গলজনক সু ভাব ক্ৰমাগত ভাবোঁতে ভাবোঁতে আৰু সু কাৰ্য্যৰ দ্বাৰাই তাক পোহ দিওঁতে দিওঁতে সি ভাবোঁতাজনৰ স্বভাৱৰে এটা অঙ্গ হৈ, আৰু চাৰিউফালৰপৰা সমধৰ্ম্মী ভাবৰ সোঁত বলাই আনি মহা শক্তিশালী হৈ উঠে, আৰু শেহত তাৰ প্ৰবল প্ৰভাৱত কু ভাব তেওঁৰ মনৰ চাৰি ঢাপৰ কাষৰপৰা পলায়। বিশ্বাসৰ ( faith ) অশেষ ক্ষমতাৰ কথা যে প্ৰচলিত সেইটো এটা unscientific sentiment অৰ্থাৎ সৰ্ব্বসাধাৰণ অবৈজ্ঞানিকৰ অসাৰ কুসংস্কাৰৰ কথা নহয়, তাৰ ভেটি বিজ্ঞানৰ ৰাজ্যত প্ৰতিষ্ঠাপিত। যেনে বিশ্বাস কৰা যায়, তেনে চিন্তাই মনত বাহ লয়হি আৰু তেনে লগৰীয়া চিন্তাকো নিজৰ কাষলৈ টানি আনি সি শক্তিশালী হয়। সেই চিন্তাই কাৰ্য্য কৰি তাৰ আধাৰ শৰীৰত প্ৰতিফলিত হয়। যেনে শনী এটা-

পাকে মহৌষধ বুলি ৰোগীক দি তেওঁত সম্পূৰ্ণ বিশ্বাস কৰা সেই ৰোগীক ভাল কৰাৰ উদাহৰণ অনেক আছে। এই বাবেই বিশ্বাসত সিদ্ধিলাভ আৰু অবিশ্বাস বা সংশয়ত নিষ্ফলতা বুলি কয়। Will-power ইচ্ছা-শক্তিৰ প্ৰভাৱৰ কথা সকলোৱে শুনিছে। কিন্তু Will-power বা ইচ্ছা-শক্তি আন একো নহয়, মাথোন বিশেষভাৱে কোনো এটা চিন্তাক নিয়মিত কৰি কোনো এটা কাৰ্য্যত লগোৱাটোৱেই। আমাৰ ইচ্ছা-শক্তি ( will ) মানুহৰ ইচ্ছা-শক্তিৰে মিলাই ৰাখিলে সি সীমাবদ্ধ আৰু খৰ্ব্ব হয়, কিন্তু ঈশ্বৰৰ ইচ্ছা-শক্তিৰে মিল কৰি ৰাখিলে, সি মানুহৰ ইচ্ছা-শক্তিৰে সৈতে মিলিব নে বেঙালে সেইটো ভাবনাৰো সকাহ নেথাকে, যদিও সৰু মানুহৰ সৰু ইচ্ছাৰে সি মিলি যোৱাত কোনো সন্দেহ নাই। মুঠতে আমি ঈৰ্ষা দ্বেষ আদি পাশবিকভাব আমাৰ জীৱনত সোমাবলৈ নিদি আমাৰ জীৱনক যিমান ঈশ্বৰৰ কালে মুকলি কৰি ৰাখিম, সিমান তাতৈ মঙ্গলময় উন্নত ভাৱৰ প্ৰবাহ বব। আৰু আমি যিমান ভালকৈ অনুভৱ কৰি আহিব পাৰিম, অৰ্থাৎ নিজক ভালকৈ জানি আহিম, যে আমি ঈশ্বৰৰে এক অংশ, আমাৰ প্ৰকৃতিৰে সৈতে ঈশ্বৰৰ প্ৰকৃতিৰ বিভিন্নতা নাই, সিমান আমাৰ কাণত ঈশ্বৰৰ বাণী পৰি আহিব। আৰু লাহে লাহে আমি যিমান সেই বাণী মানি চলিম সিমান আমি জীৱনৰ কাৰ্য্যত নিৰ্ভুল নিঃশঙ্ক হৈ পৰিম। "God is well and so you are" ঈশ্বৰ শিৱ সত্য সুন্দৰ, তেওঁৰ সন্তান তুমি, তেওঁৰ অংশ তুমি, তুমিও তেনে;—অৱশ্যে যদি তুমি তোমাক তেওঁৰপৰা আঁতৰ নকৰা।

বন্ধুসকল আপোনাসকলে কিজানি ভাবি পোৱা নাই, যে "ষ্টুডেণ্টস্ কন্ফাৰেন্স"ত সভাপতি মহাশয়ে আন কথা এৰি, ওপৰত কোৱা এই শুকান জৰাজীৰ্ণ পুৰণি কথাবোৰ কলে কোন আশয়েৰে? এইখন ধৰ্ম্মসভা নে বৰ-সবাহ যে তাত এনে ধৰ্ম্ম-ধৰ্ম্ম গোন্ধোৱা বক্তৃতাৰ সকান পৰিল? এনে প্ৰশ্নই আপোনাসকলৰ মনত কিজানি খেলাইছে, আৰু খেলোৱাটো আচৰিতো নহয়। উত্তৰত ইয়াকে কওঁ যে নিশ্চয় মোৰ এটা উদ্দেশ্য আছে; উদ্দেশ্য-বিহীন হৈ মই ছাত্ৰ-সম্মিলনীত এনে কথাৰ অৱতাৰণা কৰা নাই। সেইটো হৈছে—কোমল মন কোমল বয়সৰ ছাত্ৰসকলক তেওঁলোকৰ ভবিষ্যত জীৱন সাৰ্থকৰূপে গঠন কৰিবলৈ, পাৰিলে উদ্বুদ্ধিয়াই দিয়াটো। মোৰ মনেৰে মই ওপৰত দিবোৰ



কথাৰ অলপ-অচৰপ আভাস দি গলোঁ, সেইদৰে ছাত্ৰসকলে নিজ নিজ জীৱনৰ ভেটি গঢ়ি লব পাৰিলে তাৰ ওপৰত ভবিষ্যত জীৱনৰ সুন্দৰ অট্টালিকা প্ৰস্তুত হব আৰু যি দেশ যি নগৰ যি গাৱঁতে তাৰ অৱস্থিতি হয়, সেই দেশ সেই নগৰ সেই গাৱঁকেই সি সকলো প্ৰকাৰে ঐশ্বৰ্য্যশালী, সমৃদ্ধিশালী, আৰু শক্তিশালী কৰিব।

Healthy thoughts, clean thoughts, elevating noble thoughts অৰ্থাৎ সুস্থ পবিত্ৰ আৰু ওখ ভাবেৰে যদি ছাত্ৰসকলে এতিয়াৰেপৰা তেওঁলোকৰ জীৱনক পোহ-পাল দি ডাঙৰ-দীঘল কৰি তুলিব পাৰে, তেনেহলে, ভবিষ্যত সাৰ্থক জীৱনৰপৰা তেওঁলোক নিজক বঞ্চিত কৰিবৰ আৰু তেওঁলোকৰ মাতৃভূমিকো বঞ্চিত কৰিবৰ কোনো ভয় নাথাকে। এনে সুস্থ, পবিত্ৰ জীৱন লভিবৰ একমাত্ৰ উপায়—শুদ্ধ, বুদ্ধ, নিৰ্ম্মল, নিৰঞ্জন পৰমেশ্বৰৰ শুদ্ধ, পবিত্ৰ, নিৰ্ম্মল প্ৰবাহ প্ৰবেশৰ নিমিত্তে নিজৰ জীৱনক কায়মনোবাক্যেৰে মুকলি কৰি প্ৰস্তুত কৰি ৰখাটো, নিজৰ জীৱন-তন্ত্ৰীৰ সুৰ সেই জগৎ-যন্ত্ৰীৰ সুৰত মিলাই ৰখাটো; নিজৰ ইচ্ছাক ইচ্ছাময়ৰ ইচ্ছাত পেলাই দিয়াটো; নিজৰ কাৰ্য্যক সেই অবিশ্ৰান্ত কাৰ্য্যকৰোতা কৰ্ম্মী বিভুৰ কাৰ্য্যৰে একে প্ৰকৃতিৰ কৰাটো। এইটোৱেই এক মাথোন উপায়। তেনেকৈ চলিবৰ নিমিত্তে উপদেশ পৰামৰ্শৰ অভাৱ কেতিয়াও অনুভৱ কৰিব নোৱাৰা, যদি তুমি নিজৰ হৃদয়ৰপৰা অপবিত্ৰ অশুচি ভাবৰ জঞ্জালবোৰ গুচাই লৈ intution অৰ্থাৎ তোমাৰ অন্তৰত থকা সেইজনৰ বাণীলৈ ভালকৈ কাণ দিয়াঁ। তুমি হয়তো কব পাৰা যে সেই বাণী কত, শুনিবলৈ নেপাওঁ দেখোন? ভাই, শুনিবলৈ পাবা, ভালকৈ শুনিবলৈ পাবা, সততে শুনিবলৈ পাবা, যদি অসাৰ্থক, অসাৰ, অপবিত্ৰ, নিজৰ আৰু পৰৰ হানিকৰ গ্লানিকৰ সৰ্ব্বনশীয়া ব্যৱধান আৰু জঞ্জাল-জাবৰবোৰ তোমাৰ অন্তৰত সুমাই লৈ সেইবোৰেৰে সেই গুহানিহিত অন্তৰাত্মাক ঠেলি হেচি ঢাকি নাৰাখা। আজিৰপৰা, এই ঘণ্টা এই মিনিট এই মুহূৰ্ত্তৰপৰা, ডেকা ভাই সকল, তোমালোকে তোমালোকৰ জীৱন এইদৰে গঢ়িবলৈ দৃঢ়প্ৰতিজ্ঞা, অটল সঙ্কল্প কৰি লাগাচোন, দেখিবা তোমালোকৰ জীৱন সুদৃঢ়, সুন্দৰ, সুবিমল হৈ আহিছে; বিদ্যাচৰ্চ্চা, জ্ঞানচৰ্চ্চা, সাহিত্যচৰ্চ্চাত তোমালোক আশাতিতৰূপে সফলকাম হৈ আহিছাহঁক, আৰু বিদ্যা জ্ঞান শক্তি সকলোৰে আধাৰ তোমা

লোকৰ শৰীৰ নিৰাময় নিৰোগ সুস্থ সবল হৈ গঠিত হৈছে। Experiment অৰ্থাৎ পৰীক্ষা কৰি চোৱাঁ, অনিষ্ট একো নহয়; ইষ্ট নহলে, সুফল নাপালে, এই বুঢ়াক পিছত লাগে যদি মন মেলি, হেঁপাহ পলুৱাই কটু-কাটৰকে কৰি দিবা।

কটু-কাটৰ?—তেতিয়া কেতিয়াও কেতিয়াও কৰিব নোৱাৰা; কাৰণ তেতিয়া তোমালোকে সম্পূৰ্ণৰূপে আপোন-চকুৰেই দেখিবা যে লোকক কটু-কাটৰ কৰিলে, লোকৰ মনত কষ্ট দিলে, লোকৰ অনিষ্ট কৰিবলৈ গলে, লোকৰ অনিষ্ট হওক নহওক, তাতকৈ নিজৰ অনিষ্ট নিজৰ লোকচান বেছি হয়। দিনে-ৰাতিয়ে নৰীয়াৰ কথা ভাবি থাকিলে যেনেকৈ আমি স্বাস্থ্যলাভ কৰিব নোৱাৰোঁ, সেইদৰে লোকৰ অনিষ্ট, লোকৰ দায়-দোষ ভাবি থাকিলে নিজৰ ইষ্ট কৰিব নোৱাৰোঁ, আৰু নিজে নিৰ্দ্দোষ হব নোৱাৰোঁ; বৰং সততে অনিষ্টকৰ চিন্তাক নিজৰ মনত পুহিলে সি স্বজাতীয় চিন্তাক চাৰিউফালৰপৰা টানি আনি পুত্ৰ পত্নী নাতি-পুতিৰে সৈতে, স্থানদাতাৰ সম্পূৰ্ণ ঠাই, সপৰিবাৰে অধিকাৰ কৰি, তাক নৰকৰ এটা "ডিপাৰ্টমেণ্ট" কৰি তুলিব। এনে "ডিপাৰ্টমেণ্টৰ হেড্" অৰ্থাৎ এনে বিভাগৰ বৰমূৰীয়া লোকে আমাৰ সমাজৰ ভিতৰত কত দিনৌ আমি দেখিবলৈ পাওঁহক। সেইসকলে, বঙালী কৃত্তিবাসে তেওঁৰ ৰামায়ণত বিভীষণৰ হতুৱাই ৰাৱণক কোওৱাৰ দৰে—"আপুনি মজিলে ভাই, লঙ্কা মজাইলে!" সেইসকল নিজেও বেগেৰে সো-সো-কৰে তলফালে যাব লাগিছে, ওচৰচুবুৰীয়াকো যি পাৰে লগতে টানি লৈ যাব লাগিছে।

বন্ধুসকল! আপোনাসকলৰ ভিতৰত কিমান কলিতে-পকা বা অকাল-বৃদ্ধ আছে আপোনাসকলে দেখিছে নে? অলপ মন দি চাওক, চালেই চকুত অনেক পৰিব। কিহে তেওঁলোকৰ মুখৰ জেউতি হৰিলে, মনৰ আনন্দৰ খুং শুকালে, হিয়াৰ কোমলতাত কাঠ বান্ধিলে, কব পাৰে নে? বয়সে?—উহঁ। বেমা পিৰাৰ দুখে?—উহঁ। বয়সে তো মানুহক বুঢ়া নকৰে। সাধুলোক সজ্জনলোকক বয়সে খেদ্ধভিৰীয়া কৰিলেও তেওঁলোকৰ মনৰপৰা ডেকা-কলীয়া উত্থন, আনন্দ, আৰু নবীনত্ব নাযায়। ঈশুখৃষ্টই কৈছিল "Suffer the little children to come unto me, for such is the Kingdom of Heaven" অৰ্থাৎ সৰু সৰু ল'ৰাবোৰক মোৰ ওচৰলৈ আহিবলৈ দিয়াঁ,



বাধা দি নাৰাখিবা, কাৰণ ঈশ্বৰৰ স্বৰ্গৰাজ্য এনেথনেই। আমাৰ শাস্ত্ৰতো কৈছে যে সাধু আৰু মহৎলোকৰ স্বভাৱ শিশুৰ সদৃশ। সনক সনাতন আদি চাৰি সিদ্ধৰ বৰ্ণনা "পঞ্চ বৰ্ষীয়া শিশুশঙ্কাস"। য়ুৰোপ, এচিয়া, যতে হওক, সকলো প্ৰকৃত মহৎ লোকৰ প্ৰকৃতি শিশুৰ নিচিনা। কিয় তেওঁলোকৰ এনে প্ৰকৃতি হয়? কাৰণ কি? কাৰণ এইটোৱেই যে তেওঁলোকে ঈশ্বৰৰ প্ৰকৃতি পায়। তেওঁলোকৰ ভিতৰখন এনে শুচি এনে বিমল যে তাতৈ ঈশ্বৰৰ কৰুণাবাৰি বৈ আহিবলৈ কোনো প্ৰতিবন্ধক নঘটে। তেওঁলোক যে ঈশ্বৰৰ অংশ, একে প্ৰকৃতিৰ, "সোঽহং" সেইটো তেওঁলোকে নাপাহৰি, আৰু কুভাব কু কাৰ্য্যৰ দ্বাৰাই সেই oneness with God ঈশ্বৰেৰে সৈতে একত্ব নেহেৰুৱাই উন্নত হোৱাৰ নিমিত্তেই নিৰ্ম্মল নিষ্পাপ শিশু-প্ৰকৃতি ৰক্ষা কৰি থাকিব পাৰে।

আমাৰ পৰম পিতা পৰমেশ্বৰ যে Eternal good শুদ্ধসত্ব দয়াময়, আৰু "তোমাৰেসে অংশ আমি যত জীৱজাক" এই কথাত অলৰ-অচৰ ভাৱে বিশ্বাস কৰি, এই ভাৱৰ শিলৰ খুটি পুতি, সততে তেওঁৰে সৈতে অৰ্থাৎ তেওঁৰ উপাধি তেওঁৰ গুণ—পৱিত্ৰ চিন্তা, পৰহিতব্ৰত, পৰৰ প্ৰতি কৰুণা, জীৱৰ প্ৰতি দয়া আৰু ঈশ্বৰৰ প্ৰতি ৰুচি ৰাখি সকলো কৰ্ত্তব্য কাৰ্য্য কৰিলেই আমি God-like সুন্দৰ হব পাৰিম। নিজৰ দুখ, শোক, নৰীয়া, পৰৰ প্ৰতি ঈৰ্ষা, দ্বেষ, হিংসা, পৰশ্ৰীকাতৰতা, নিৰাশা, ভয়, এইবোৰেৰে নিজৰ জীৱন নিজে আৱৰি ৰাখিলে আমি অকালত বুঢ়া, কুৰূপ কুশ্ৰী নহৈ আৰু কি হম? বন্ধুসকল! যদি তোমালোক চিৰযৌৱনসম্পন্ন হৈ থাকিব খুজিছা, আনন্দত আপোনাক বুৰাই ৰাখি বুঢ়াবয়সলৈ লৰাকালৰ আনন্দ আৰু স্বাস্থ্য ভোগ কৰি সুখী হৈ থাকিব খুজিছা, তেন্তে এইটো কথা ভালকৈ মনত ৰাখিবা,—তোমালোকে তোমালোকৰ চিন্তা-ৰাজ্যত কি ভাৱে বাস কৰা। মনেই সকলো। "যাদৃশী ভাবনা যস্য সিদ্ধিৰ্ভবতি তাদৃশী।" তুমি যেনে ভাবাঁ তেনেকুৱাই হবাঁ। মনত অশুচি অস্বাস্থ্যকৰ চিন্তাক ঠাই দিয়া, তুমিও অচিৰতে অশুচি অস্বাস্থ্যকৰ হবা যে তাত সন্দেহ কি? তেনেহলে হেৰা ডেকাবন্ধুসকল! তোমালোকে অপবিত্ৰ, নীচ ভাববোৰ পৰিত্যাগ কৰি, ওখ পৱিত্ৰ ভাব নিজৰ মনত ঠাই দি ভাল নহবৰ কাৰণ কি? তোমাৰ ভাল হোৱা তোমাৰ নিজৰে হাতত নহয় নে?

"আপুনি আপোন শত্ৰু, আপুনি আপোন মিত্ৰ,
আপুনি আপোন বাধে মাৰে।"

এইবাৰ বৰ মূল্যবান বৰ ডাঙৰ কথা, আৰু বৰ জ্ঞানীলোকৰ অশেষ পৰীক্ষা আৰু সূক্ষ্মদৃষ্টিৰ মূল্যবান সিদ্ধান্ত জানিবা। কাচৰ লণ্ঠনৰ ভিতৰত চাকি লগালে যেনেকৈ কাচৰ চাৰিওফালে ফুটি জুইৰ পোহৰ বাহিৰলৈ ওলায়, সেইদৰে পবিত্ৰ চিন্তাই মনৰ ভিতৰত স্থিতি লাভ কৰিলে সি সেই লোকৰ সৰ্ব্বাঙ্গ ফুটি বাহিৰলৈ ওলায়। অপবিত্ৰ চিন্তাৰো তেনে গতিয়েই। মন শৰীৰৰ যেনে সহায়ক, শৰীৰো মনৰ তেনে সহায়ক। সেইদেখি দৃষ্টি দুইফালে সমানে ৰাখি চলিব লাগিব। বন্ধু-সকল! যদি চিৰানন্দ চিৰযৌৱন ৰাখি সুখী হব খুজিছা, তেন্তে আনন্দম্ আনন্দম্ ধ্যান কৰি আনন্দত মজি থাকা। সদায় হৰিষত সদায় আনন্দত থাকিব পাৰি অভ্যাস কৰি, আৰু আনন্দৰ শত্ৰুক দূৰতে বিদূৰ কৰি ৰাখি। ৰং-ধেমালি মনেৰে থাকিব পাৰি—নিজক বহুদাৰ শাৰীলৈ নমমায়ো। Playful আৰু cheerful হৈ থাকিবলৈ puerile আৰু silly হবৰ সকাম নাই। আমাৰ অনেক ভাগ মানুহৰ মনৰ ভাব এনেটো যে, ডাঙৰ মানুহ আৰু ভৰা মানুহ হৈ position সম্মান ৰক্ষা কৰি থাকিবলৈ হলে গম্ভীৰ হব লাগে, "গহীন মেমে গহীনাই" মতা দি কথা কব লাগে, নাইবা তেওঁ তুলামেন পাতল হৈ উৰিব! অৰ্থাৎ তেওঁৰ আদৰ্শ সেই পখীটি, যাক আমাৰ ভাষাত ফেঁচা বা বৰ-হুহু বোলে। দুখৰ বিষয়, তেওঁলোকৰ মনত এবাৰো নেখেলায় যে এইটো মানুহৰ অস্বাভাবিক অৱস্থা হে। মানুহ ঈশ্বৰৰ সন্তান মানুহ হৈ থকাটোহে স্বাভাবিক—যি ঈশ্বৰে ডাঙৰৰপৰা সৰুলৈক, ৰজাৰপৰা ভিকহুলৈকে সকলোৰে হৃদয়ত থাকি কথাবাৰ্ত্তা কৈ আপোনাতকৈও আপোনাত হৈ আছে। মানুহে মনুষ্যত্ব এৰি ফেচাৰ প্ৰাপ্তিৰ আকাঙ্ক্ষা কৰাটো মনুষ্যস্বভাৱৰ বিপৰীত অৱস্থাহে। জীয়টোকা চানোন ডাঙৰ চানোন হব পাৰে, কিন্তু সি মানুহ হলে নহয়।

আমাৰ দেশত ডাঙৰ হোৱাৰ আৰু এটা হাঁহি-উঠা কিন্তু মাৰাত্মক লক্ষণ আছে। সেইটো হৈছে—ডাঙৰ হলেই নৰীয়াৰ ভাও জুৰিব লাগে। "ডাঙৰীয়া বা ডাঙৰীয়ানীৰ গা ভাল নহয়, ডাঙৰীয়াই খাবই নোৱাৰে, টেমীৰ মুৰেৰ এমুঠি চাউলৰ ভাত হে খায়, ডাঙৰীয়ানীৰ গাত বিষ, গা বিষত কেকোৱা, মমুলি ভাল নহয়" এনেবোৰ কাকুতিৰে এশ্ৰেণীৰ ডাঙৰীয়া ডাঙৰীয়ানীয়ে নিজৰ



ডাঙৰীয়াত্বক পোহ-পাল দি ডাঙৰ কৰাটো দেখা যায়। এনেকৈ আত্মবঞ্চনা আৰু পৰক বঞ্চনা কৰি কিছুমান ডাঙৰীয়া ডাঙৰীয়ানীয়ে তেওঁলোকৰ ডাঙৰীয়াত্বটো অতি সন্তৰ্পণে ৰাখে যদিও, ফলত বতাহেৰে টাহ-খোৱা বোঁৱাছৰ পেটত থকা হিলৈৰ নিচিনাকৈ ডাঙৰীয়া-হিলৈটো কিমান দূৰ টিকে আৰু সি কাৰ উপকাৰত লাগে কব নোৱাৰোঁ, কিন্তু এইটো হলে নিশ্চয় যে শেহত এই আত্ম আৰু পৰবঞ্চনাৰ ফলত সঁচাসঁচিকৈয়ে তেওঁলোকৰ শৰীৰ নৰীয়াৰ বাহ হয়, আৰু তেওঁলোক ৰোগক মাতৰীয়া কৰি জীৱন কটাব লগীয়াত পৰে এই পৃথিৱীত অনেক মানুহে সুস্থশৰীৰেৰে জীৱন কটাব পাৰিলেহেঁতেন যদি তেওঁলোক নিজক নৰীয়া বুলি সঁচাই বা মিছাই ভাবি ভাবি নৰীয়াক আহ্বান কৰি নানিলেহেঁতেন। এইটো কিন্তু নিশ্চয়, যি নিজৰ শৰীৰৰ গতি-গোত্ৰৰ বিষয়ে ভাবি বেছি সময় কটায়, ৰোগতে তাৰ সৰহখিনি সময় যায়। ৰোগক ধ্যান কৰি থাকিলে ৰোগ হে আহিব, স্বাস্থ্য নাহে। শৰীৰ ভালে ৰাখিবলৈ healthy thoughts সুচিন্তা, সুখাদ্য, সুবতাহ, আৰু পবিত্ৰতাৰ সহায় লব লাগিব, মোৰ নৰীয়া হব, নৰীয়া হব, এনে ভাবৰ আৰাধনাৰ সহায় নহয়।

সকলোৱে দেখিছে যে, বঙ্গদেশৰ স্কুল কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজবিদ্ৰোহ, ডকাইটি, নৰহত্যা, ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্য্যই ঠাই লৈছে ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ ভিতৰত সেই সৰ্ব্বনশীয়া পাপ প্ৰৱেশ কৰা নাই। স্কুল কলেজৰ Godless education ঈশ্বৰবিবৰ্জ্জিত শিক্ষাৰেই এক ৰকম ফল বুলি মোৰ মনে ধৰে। হিন্দুৰ ঘৰৰ, হিন্দু সমাজৰ সাত্বিক শিক্ষক—যি শিক্ষাই উঠোঁতে ঈশ্বৰক, বহোঁতে ঈশ্বৰক, শোওঁতে ঈশ্বৰক, খাওঁতে ঈশ্বৰক সোৱঁৰায়, যি শিক্ষাই পুৰণি দৈৱস্বত মনুৰ দিনৰেপৰা এতিয়ালৈকে হিন্দুৰ জীৱনৰ দীপ-বানি বৈ আহিছে—তেনে শিক্ষাক সৰুৰেপৰা ডেকাসকলে, মানবে-ধৰা পুৰণি আৰু বৰ্ত্তমান কালৰ অনুপ-যোগী তামাদি বুলি ভাবি তাৰপৰা আঁতৰ হৈ পৰিছে আৰু তেনে শিক্ষা পোৱা কথা, বুঢ়ীআই, বোপাই, আইক জীমকলৰ-মধুনা নাইবা grand-mother's cocoon অৰ্থাৎ বুঢ়ীআইৰ লেতা গুটি বুলি মনৰ ভিতৰতে বা মুখ ফুটাই ভাবিছে, আৰু ভাবি, পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ পাশ্চাত্য সমাজ আৰু সভ্যতাক নিখুঁট বুলি ধৰি লৈ—অথচ এবাৰো অকণকে নেভাবি, যে সকলো প্ৰকাৰে

সেই শিক্ষা সেই সভ্যতা আৰু সেই দেশৰ ৰাষ্ট্ৰনীতি সাত্বিক প্ৰকৃতিৰ ভাৰতবাসীৰ আৰু বাইকৈ হিন্দুৰ প্ৰকৃতিৰে সৈতে মিলিব নে নিমিলে, আৰু হিন্দুস্থানত সেই য়ুৰোপীয় ওক গছৰ পুলি ( Oak ) বাঢ়িব নে নেবাঢ়ে। বিপ্লৱবাদী ছাত্ৰসকল যে বিকৃত চিন্তাৰ ফল আৰু তাৰ ফলত তেওঁলোকৰ অধঃপতন ঘটিছে তাক সাহেৰে কব পাৰি। অসমীয়া ডেকাসকল! সাৱধান! সাৱধান! বিপ্লৱবাদী বঙ্গীয় ডেকাসকলৰ এনে অধঃপতন চকুৰ আগতে দেখি তোমালোক সাৱধান হোৱাঁ, বৰং তেওঁলোকৰ দুৰ্দ্দশা দুৰ্গতি দেখি চকুৰ লো টুকি ঈশ্বৰৰ ওচৰত গলবস্ত্ৰ হৈ এই প্ৰাৰ্থনা কৰাঁহক যেন ডাকাইটি, নৰহত্যা, বিপ্লৱ আদি পাপৰ কালৰপৰা তেওঁলোকৰ মতি গতি ওভতে। আৰু প্ৰাৰ্থনা কৰাঁ,—কস্মিনকালেও যেন তোমালোকৰ মনত তেনে পাপ প্ৰৱেশ নকৰে! কেতিয়াও নেভাবিবা যে ধৰ্ম্মৰ ৰাজ্য পাপৰ ভেটিত প্ৰতিষ্ঠিত হব পাৰে। ৰাজদ্ৰোহ, নৰহত্যা চুৰি ডকাইটিয়ে দুখুনী জননীৰ দুখ কেতিয়াও কেতিয়াও মোচন কৰিব নোৱাৰে। বৰং সন্তানসকলৰ এনে অধঃপতন দেখি, চোৱাঁ হেৰা চোৱাঁ, বঙ্গজননীৰ কালে চোৱাঁ, তেওঁ কান্দি কান্দি অন্ধ হবলগীয়া হৈছে! কি লাজৰ কথা! কি ঘৃণাৰ কথা! ভাল মানুহৰ লৰাই স্বদেশৰ হিতৰ নামত ৰাজদ্ৰোহ, ডকাইটি, নৰহত্যা কৰে!!! ইংৰাজৰ নিচিনা এনে ন্যায়বন্ত ৰজা আমি পাইছোঁ যাৰ শীতল ছাঁৰ তলত বহি আমি সকলো ৰকমে শিক্ষিত হৈ উপযুক্ত হৈ আমাৰ জন্মভূমি জননীৰ দুখ মোচন কৰিব পাৰোঁ; এনে ৰজাৰ ৰাজ্যত থাকি এনে লক্ষ সুযোগ আৰু সুখ শান্তি লভিও আমি কোনো কোনো কুচুৰী আৰু fanatic বলিয়া মানুহৰ কথা শুনি ৰাজদ্ৰোহী হৈ, নিজৰ মানুহৰে ধন-বস্তু লুটি-চুৰি ডকাইটি কৰি, নিজক সমূলি বুৰাই, আই বোপাই ভাই ককাই বন্ধু বান্ধৱ ইষ্টমিত্ৰ সকলোকেও বুৰাই আৰু সেই ঘোৰ পাপেৰে আমাৰ ইহকাল পৰকাল দুইকো বুৰাই, DonQuixotic "ডনকুইক্সটিক" বিধৰ দেশউদ্ধাৰক হবলৈ যাওঁহক! নিশ্চয় এইটো যেনে লাজৰ কথা, তেনে হাঁহি উঠা কথাও। বিকৃত-কুচিন্তাৰ বিষময় ফলৰ আৰ্হি চাবৰ মন গলে আৰু ইয়াতকৈ ডাঙৰ আৰ্হি সহজে পোৱা টান। তোমাৰ ভাইৰ ধনজীৱনৰ গোটেই সৰ্ব্বস্ব চুৰ কৰি বা ডকা দি আনি সেই ধনেৰে তুমি দেশৰ ভাল কৰিবা? বিশ্ববিদ্যালয়ত শিক্ষা পোৱা হে জাতিয়া জীৱ! হে ৰবিন হুড্! হে বাবু ডকাইট! তোমাৰ স্বদেশ উদ্ধাৰৰ



প্ৰয়াস বা লীলা আৰু সম্বৰণ কৰাঁ, বহুত হৈছে। আৰু তোমাৰ জননীৰ মুখত চূণ কালি সানিবৰ সকাম নাই। তোমাৰ বন্ধৰপৰা জননীয়ে ত্ৰাহি ত্ৰাহি কৰিছে।

ছাত্ৰজীৱনৰ দায়িত্ব বৰ ডাঙৰ দায়িত্ব, এইটো ছাত্ৰসকলে চোপৰত হৃদয়ঙ্গম কৰি থাকিব লগীয়া। ছাত্ৰজীৱন, ভবিষ্যতৰ মানৱৰ useful সাৰ্থক, সফল, আৰু লাগতিয়াল জীৱনৰ ভেটি। এই ভেটি পকা হলে হে সমাজৰ অঙ্গীভূত মানুহৰ জীৱন সুদৃঢ় সৌষ্ঠৱ হব। এই জীৱন হেলেক্-লেক্ ভাৱে, amateur অৰ্থাৎ দায়িত্বশূন্য ভাৱে, অসাৱধানভাৱে গঠিত হলে গোটেই জীৱন ভগা, ফটা, থাৰ-নোথোৱা লৰক্‌ফৰক্ হব; তেতিয়া নিজৰ ভুল পদে পদে বুজি অনুতাপ কৰি কটাব লাগিব, আৰু জোৰা-কোন্দা বান্ধ-ছাট দি কোনোমতে তাক মজবুত কৰি ৰাখিলেও তাৰ তল ডোখৰৰ দুৰ্ব্বলতাৰ বাবে সি topeheavy অৰ্থাৎ মূৰ-গধুৰ, ভৰি চিয়া দুৰ্ভগীয়াৰ দৰে বোজাৰ ভৰত বাগৰি পৰিব। ছাত্ৰ জীৱনত কৰা একোটা মহাভুলৰ বাবে, আৰু সেই কালত ভবিষ্যত জীৱনলৈ লক্ষ্য নাৰাখি চৰিত্ৰ হেৰুৱাই তমোময় ভাৱে চলা বাবে আমাৰ বয়সীয়ালসকলৰ ভিতৰত কত এনেকুৱা পৰোঁ-পৰোঁ-হোৱা থৰক্-বৰককৈ থকা মানুহ আছে, যাৰ অনুতাপ মাথোন তপত উম্-আসতে অন্ত।

সেইদেখি চৰিত্ৰ গঠন ( যাক ইংৰাজীত character বোলে ) ছাত্ৰজীৱনৰ প্ৰধান অঙ্গ। চৰিত্ৰ গল তো তোমাৰ সকলো গল; আৰু চৰিত্ৰ বল তো তোমাৰ সকলো বল,—হোৱাঁ ধনৰ দুখীয়া, তাত হানি নাই; হোৱাঁ position অৰ্থাৎ সামাজিক সন্মানৰ থাপত লোকৰ চকুত ভিকহু, তাত হানি নাই; হোৱাঁ লোকে নাম-নজনা ধাম-নজনা, তাত হানি নাই। কিন্তু চৰিত্ৰবান্ তুমি—ঈশ্বৰৰ চকুত, আৰু দীৰ্ঘদৰ্শী লোকৰ চকুত, সজ লোকৰ চকুত, মহা ঐশ্বৰ্য্যশালী, আৰু সকলোৰে আগশাৰীত। তাৰ উপৰিও চৰিত্ৰবান্ তোমাৰ অন্তৰ যে বিমল সুখ আৰু পৰম আনন্দৰ আকৰ হব তাত সন্দেহ নাই।

বন্ধুসকল! ছাত্ৰজীৱন গঠন কৰিবৰ নিমিত্তে যি দুটা চাইটা-কথা ঘাই বুলি মোৰ মনত খেলাইছিল তাকে জনাই-নজনাই আৰু ভালকৈ কব নজনাৰ নিমিত্তে আপচু ভাৱেই আপোনাসকলৰ আগত কলোঁ; অৱশ্যে এইবোৰ কথা যে আপোনাসকলে নাজানে বা আগেয়ে শুনা নাই এনে হিচাপ কৰি মই যে কৈছো এনে নহয়, মই মাথোন চেষ্টা কৰিছো—পুৰণি কথাকে ঘাট-মুঠি আপোনা-

সকলৰ মনত পেলাই দিবলৈ। ভাল কথাৰ repeatation পুনৰুক্তি এইবাবে মাৰ্জ্জনীয় যে পুনৰুক্তিৰ আজোৰত সি আন কথাৰ তল পৰিবৰ ভয় নেথাকে।

এই গুৱাহাটী চহৰত আজি মই আপোনাসকলক লগ পাই, আপোনাসকলৰে লগৰীয়া এজন বুলি প্ৰাণেৰে সৈতে অনুভৱ কৰি আলপ-অচৰপ সৰু কথাৰ আলচ কৰিবৰ চেষ্টা কৰিছোঁ, ইয়াত যে মোৰ কি আনন্দ হৈছে, মই কথাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। মই এক মুহূৰ্ত্তলৈকে ভবা নাই, যে আপোনাসকল যদিও বয়সত মোতকৈ সৰু, মই আপোনাসকলৰ উপদেষ্টাৰ বাব পাইছোঁ, আৰু সেই বাবৰ বলত মোৰ সাৰুৱা উপদেশেৰে আপোনাসকলৰ জ্ঞানৰ পৰিসৰ বঢ়াই দিম। মই আন একো নাজানিলেও মোৰ এটা কথাৰ জ্ঞান আছে,—সেইটো হৈছে মোৰ জ্ঞানৰ সঙ্কীৰ্ণতাৰ জ্ঞান। মোক যদিও আপোনাসকলে দয়া কৰি নিজৰ উদাৰতাৰ গুণেৰে আপোনাসকলৰ সভাৰ সভাপতি কৰি এই আসনত বহুৱাইছে, মই কেতিয়াও এনে আসন লবলৈ সাহ কৰি নাহিলোঁহেঁতেন, যদি মোৰ মনত এইটো ভাবে বৰকৈ নেপেলালেহেঁতেন, যে মই অনেক কালৰ মূৰত মোৰ নিজৰ দেশত মোৰ দেশীয় ভাইসকলৰ সঙ্গ লভি দুই চাৰিটা (লাগতিয়ালেই হওক বা অলাগতিয়ালেই হওক) কথা কৈ পৰম সুখ ভোগ কৰিবলৈ পাম, আৰু মোৰ ফঁপচুৱা কথা আমাৰচেৰেকেৰে তেওঁলোকৰ কিবা উপকাৰ অপকাৰ হওক নহওক বৰং মই তেওঁলোকেৰে চিনাকি হৈ আলাপ পৰিচয় কৰি, তেওঁলোকৰ মুখৰপৰাও অনেক ভাল কথা শুনি মোৰ নিজৰে জ্ঞানৰ সীমা বঢ়াব পাৰিম। গুৱাহাটীত এই সভা বহাটো অতি শোভন কাৰ্য্য হৈছে। এই প্ৰাগজ্যোতিষপুৰতে আৰ্য্যসকলৰ জ্যোতিৰ্বিদ্যাৰ প্ৰথম বিকাশ আৰু উন্নতিৰ চৰম প্ৰকাশ। জ্ঞানৰ অৰুণ কিৰণ পূবৰ এই আকাশৰপৰাই বিকীৰ্ণ হৈ চাৰিউফালে বিয়াপি পৰিছিল। আমাক এতিয়া backward পিছলৈ যোৱাকে বোলক বা benighted এন্ধাৰকে বোলক, নাইবা ঘৰুৱা নাতেৰে কোনোৱে ইয়াক জকাই-চুকুকে বোলক, এইটো স্বীকাৰ কৰিবই লাগিব যে জ্যোতিৰ্ব্বিদ্যাৰ জনম আৰু চৰম উন্নতি ইয়াতে, তন্ত্ৰৰ জনম আৰু চৰম উন্নতি ইয়াতে, বৈষ্ণৱধৰ্ম্মৰ সম্পূৰ্ণৰূপে মহাবিকাশ ইয়াতে আৰু ইয়াতে তাৰ চূড়ান্ত পৰাভৱ; ইয়াতেই ইয়াতেই এই প্ৰাগজ্যোতিষতেই অজ্ঞান-"ৰজনী দিবৰ দিশ ধৰণি বৰণ", আৰু সেই



অজ্ঞান-"তিমিৰ কিৰিয়া বাজে" জ্ঞান—"ৰবিৰ কিৰণ।" ঈশ্বৰে কৰক, এতিয়াও যেন অচিৰতে ইয়াত আকৌ বিদ্যাৰ "শতপত্ৰ বিকশিত" হয়, আৰু বিদ্যাৰ্থী ছাত্ৰ-ভ্ৰমৰসকলে শতপত্ৰত উৰি পৰি বিদ্যা-মধু পান কৰি আৰু জ্ঞানচৰ্চ্চা কৰোতাসকলে জ্ঞানৰ গুণ গাই শাস্ত্ৰ-দধি মথি সকলোকে জ্ঞান নৱনী মাখন বিতৰণ কৰে। সদায় আউসী নাথাকে। কোনো এটা জাতিৰ জীৱনতো আউসীৰ নেৰানেপেৰা মিশা নাথাকে। আউসীৰ পিছত প্ৰতিপদ দ্বিতীয়া আদি আৰু শেহত পূৰ্ণিমা আছেই। এই কটন-কলেজ আসামৰ শুক্লা দ্বিতীয়া। ই নিশ্চয় কলা-কলাকৈ বাঢ়ি যাবই যাব। এই অলপ দিনৰ ভিতৰতে এই কলেজৰ দ্বাৰা আমাৰ শিক্ষিত ডেকাৰ লেখ কত বাঢ়িছে। এই কলেজৰ দ্বাৰা ইয়াৰ ভিতৰতে আমাৰ ডেকাসকলে সুবিধা পাই অঘটন ঘটাইছে; বিশ্ববিদ্যালয়ৰ পৰীক্ষাত আন দেশৰ মেধাবী ছাত্ৰসকলৰে সৈতে সমানে অৰিয়াঅৰি কৰি জয় লাভ কৰিছে। এই কলেজ হবৰ আগেয়ে কোনবাই ভাবিব পাৰিছিল নে যে অসমীয়া ছাত্ৰে—যি অতি কষ্টেনষ্টেহে তৃতীয় বা দ্বিতীয় বিভাগত বিশ্ববিদ্যালয়ৰ মহলাত উঠিব পাৰে—প্ৰথম দ্বিতীয় ঠাই অধিকাৰ কৰিব পাৰিব? যি ভোটাবুধীয়া, অজগৌ, ইত্যাদি বিশেষণেৰেহে অসমীয়া ছাত্ৰক বিভূষিত কৰিছিল, এতিয়া তেনেলোকে অসমীয়াৰ কৃতকাৰ্য্যতা দেখি অবাক হৈছে। বন্ধুসকল! ঈশ্বৰত মতি গতি ৰাখি, সু ভাব, সজ চিন্তাৰ সৰল বুকুত বান্ধি লৈ আপোনাসকলে এহাতুধীয়া ভাৱে নিজৰ কৰ্ত্তব্য পালন কৰি যাওক, দেখিব, যি ফললাভ এতিয়া হৈছে তাতোকৈ এশগুণে সৰহ আৰু বহুমূলীয়া ফললাভ অচিৰতে হব। তাহানি প্ৰথমতে গুৱাহাটীত যেতিয়া এই কলেজ স্থাপন কৰা হবৰ কথা হয়, তেতিয়া এই প্ৰস্তাৱৰ বিপক্ষে কত আপত্তি কত তৰ্ক চলিছিল, তাৰ লেখজোখ নাছিল। আসামৰ উজ্জ্বল ৰত্ন অশেষগুণভাজন স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ কত যত্ন, কত চেষ্টা, এই কলেজ ইয়াত হবলৈ। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি শেহত তেওঁৰ জয় হল, গুৱাহাটীত কলেজ হল, আৰু সেই কলেজৰ প্ৰথম সুফল তেওঁ নিজ চকুৰেই দেখি গল। আজি আপোনাসকলৰ সভাত যাক যোগ্য পাতি সভাপতিৰ আসন আপোনাসকলে অযথা কৃপা কৰি দিছে, সেই অযোগ্য নগণ্যৰো এই কলেজৰ সাৰ্থকতাত যে কি আনন্দ তাক কৈ ওৰ পেলাব নোৱাৰি—বিশেষকৈ

আৰু এইবাৰে যে কেৰ্‌কেটুৱাই বাঁহপাতেৰে বামৰ সেতুবন্ধনত সহায় কৰাৰ দৰে তেওঁ, গুৱাহাটীত কলেজৰ সলনি কলিকতাত হষ্টেল হব লাগে এই প্ৰস্তাবৰ বিপক্ষে আৰু গুৱাহাটীত কলেজ হোৱাৰ সপক্ষে তেওঁৰ দুৰ্ব্বল লেখনীৰে যথাশক্তি সহায় কৰিছিল।

আসামৰ নিচিনা এখন দেশ self-contained অৰ্থাৎ সকলো আৱশ্যকীয় বিষয়ত লোকক হাত পাতিব নলগীয়া হোৱাটো যে কিমান লাগতিয়াল কথা তাক কৈ ওৰ পেলাব নোৱাৰি। আমাৰ যাই অভাৱ "আৰ্টচ্‌ কলেজ", তাৰ পিছত "ল কলেজ" আৰু ব্যৱস্থাপক সভাই মোচন কৰিলে। ইয়াৰ পিছত বাকীবোৰ যেনে—কলিকাতা বিশ্ববিদ্যালয়ৰ চিনেটত আৰু চিণ্ডিকেটত আমাৰ অসমীয়া "ফেলো", আৰু তাৰ পিছত আমাৰ আসামৰ নিমিত্তে স্বকীয়া বিশ্ব-বিদ্যালয়, আসামত চিফ কোৰ্ট বা হাইকোৰ্ট, সম্প্ৰতি কলিকাতাৰ হাইকোৰ্টত অসমীয়া জজ, ইত্যাদি আমি অচিৰতে পাম বুলি আশা কৰিব লাগিছোঁ। ঈশ্বৰে আমাৰ আশা নিশ্চয় সোনকালে সাফল কৰিব।

কিন্তু এইবোৰ পাবলৈ আমি সকলো প্ৰকাৰে যোগ্য হোৱা আৱশ্যক। যোগ্য আমাৰ হাতলৈ এনেবোৰ বস্তু এতিয়া নহয় অথনিকৈ, আজি নহয় কাইলৈ আহিবই। আমি বুঢ়াৰ তৰপ যোগ্য অযোগ্য যি হলোঁ হলোঁ, আমাৰ আৰু ন-কৈ ককালত টঙালি বান্ধি উঠিবলৈ বল নাই, ককাল বয়সৰ ভৰত কেকোৰা, ভৰি বাতৰ বিষত পেঙুৰা। আমি বুঢ়া শালিকা, আমি আৰু কি ন-কৈ মাত লম?—লব পাৰিলে অৱশ্যে সুখৰ বিষয়; কিন্তু কত পাৰিম হবলা। এতেকে আমাৰ আশাৰ চকু আমাৰ উঠি-অহা ডেকাসকলৰ ফালেহে। তেওঁ-লোক এতিয়াৰেপৰা ভালকৈ জীৱন-সংগ্ৰামলৈ প্ৰস্তুত হব লাগে; আমাৰ জাতীয় আকাঙ্ক্ষা যেন তেওঁলোকৰ দ্বাৰাই পূৰণ হয়। তেওঁলোকৰ জীৱন এতিয়া আমাৰ জাতীয় জীৱনৰ ডাঙৰ মহীত (melting pot) ভালকৈ আউটা হওক, যাতে তাৰে আমাৰ মূল্যবান সোণৰ অলঙ্কাৰ, কৰ্ম্মৰ উপযোগী শণাইত অস্ত্ৰ আৰু নিভঁজ উপকৰণ আদি প্ৰস্তুত হয়। তেওঁলোকে সেইদেখি, আমি ওপৰত উল্লেখিয়াই অহা কথাবোৰৰ বাহিৰেও আৰু এটা কথা মনত ৰাখি প্ৰস্তুত হব লাগিব। যথা—অকল কলেজৰ text book নিৰ্দ্দিষ্ট কিতাপ কেৱল পঢ়িয়েই মহলাত সহস্ৰ নম্বৰ ৰাখি ওখ বিভাগত উঠিলেই নহব, তেওঁলোকে



তাৰ লগে লগে সৰ্ব্বতোভাৱে জ্ঞান উপাৰ্জ্জন কৰি, ভাল কিতাপ outbooks (নভেল নহয়) পঢ়ি জ্ঞানৰ সীমা বঢ়াই, আৰু পৃথিবীৰ সকলো সভ্যদেশতে ঘটা জ্ঞান বিদ্যা কাৰ্য্যকলাপ আদিৰ নিয়মিতৰূপে ভু ৰাখি, চোকস হব লাগিব, যাতে ভবিষ্যতত তেওঁলোকৰ প্ৰত্যেকজন একো-একোজন পূৰ্ণৰূপে বিকশিত অসমীয়া মানুহ হব পাৰে। অকল cram কৰি, স্কুল কলেজৰ কিতাপ কেইখন ঘনে ঘনে ইপাৰ সিপাৰ হৈ, অৰ্থাৎ সেই সক সক দিহিং, দিপাং, দিখৌ কেইখনৰ ইপাৰৰপৰা সিপাৰলৈ একোএকোবাৰ পাৰি দি, শেহত বি, এ, এম এ পাছ কৰি, নিজক একোএকোজন বিদ্যা-বাৰিধিৰ ভইব নাৱৰীয়া বুলি তেওঁলোকে ভাবিলে, তেওঁলোকে নিজৰ মনত সম্প্ৰতি সন্তোষ লভিলেও সদায় যে তেনে সন্তোষ তেওঁলোকে ৰাখিব পাৰিব এনে মনে নধৰে; কাৰণ যেতিয়া তেওঁলোকে আজিকালিৰ বিদ্যাৰ হাজাৰ হাজাৰ ফ্ৰেক্‌, মেগেলিন্‌, কুক্‌সকলক জীৱন-যাত্ৰাত আৰু জীৱন-সংগ্ৰামৰ ক্ষেত্ৰত লগ পাব, তেতিয়া তেওঁলোকৰ কাষত নিজৰ ক্ষুদ্ৰত্ব আৰু অসামৰ্থ্য তেওঁলোকে ভালকৈ দেখি নিজৰ জীৱনত ধিক্কাৰ দিব লাগিব; আৰু বিদ্যাৰ সেই সুনিপুণ সামৰ্থ্যশালী মহাৰথীসকলৰ প্ৰভাৱত জীৱন যুদ্ধত তেওঁলোক এনেকৈ হাৰিব, যে তেওঁলোকে নিজৰ আতিষকে ৰাখিব নোৱাৰিব। "বি, এ, পৰীক্ষা পাছ" বিদ্যাৰ অন্ত নহয়, বিদ্যাৰ আৰম্ভনহে; যদিও আমাৰ বহুত বি-এ—গ্ৰেজুৱেটে আগৰটো বুলি ভবায়েন দেখা যায়। "তেওঁলোকে "বি, এ পাছে" কৰি অঁতাই তেওঁলোকৰ পঢ়া-শুনা বা বিদ্যাচৰ্চ্চাৰ সজুলি সোপাকে সাৱধানেৰে সৈতে বৰপেৰাৰ ভিতৰত সুমাই থৈ তাত বাহুলিসঁচাৰ মাৰি তাৰ ওপৰত ধোবাং জুৰি বিদ্যাৰ ডাঙৰ ঘুমটি দিয়ে আৰু একোএকো ঘুমটিৰ পিছত ইকাতি-সিকাতি কৰিব লাগিলে হাতেৰে সাবাটি ধৰি থকা বিদ্যাৰ দীঘল গাৰুটোৰে (যাক বঙলা ভাষাত পাশ বালিশ বোলে) বিচ্ছেদ নঘটাকৈ সেই বিদ্যাৰ বৃহৎ অভিনয় কৰে, আৰু দেশত কোনো সভাৰ সভাপতি, নাইবা মিউনিচিপেলিটিৰ কমিশ্বনৰ, নাইবা তাতকৈয়ো ডাঙৰ আজিকালি ওলোৱা অনৰেৰোল মেম্বৰ হবৰ হাই-উৰুমি, তেনে অৱস্থাত তেওঁলোকৰ কাণত পৰিলে, লাহেকৈ তেওঁলোকে উঠি বিদ্যাৰ ডাঙৰ দীঘল হামি, আৰু তেওঁলোকৰ প্ৰতিদ্বন্দ্বী হব খোজাৰ প্ৰতি সমসাময়িক সক সক টিনিকি মাৰি, ডাঙৰীয়াৰ ডাঙৰ হ'লেন

গ্ৰহণ কৰি, তেওঁলোকৰ আশ্ৰিত আৰু উপাসকসকলৰ ফালে বিস্থাৰ একো একোটা ডাঙৰ ডাঙৰ পানীৰ মিঠৈ, বা পচিনীয়াসকলে কবৰ নিচিনা "দিল্লীকা লাড্ডু" পঠিয়াই দিয়ে, আৰু "আমাৰ ডাঙৰীয়াৰ নিচিনা বিদ্বান আৰু জ্ঞানী কোন আছে, কোনে আমাৰ ডাঙৰীয়াৰে সৈতে জোৰ দিব পাৰিব?" উপাসকলৰ এনে সুমধুৰ স্তোত্ৰৰ ধ্বনি শুনি, বা তাৰ গেচত ( Gas ) ওফন্দি বিস্থাৰ একোখন মানসিক "জেপেলিনত", "বেলুনত" "অভাৱে" উঠি সকলোৰে ওপৰেদি গগনমাৰ্গত বিচৰণ কৰে।

Education শিক্ষা অকল intellectual অৰ্থাৎ মানসিক বা বুদ্ধি-জ্ঞানৰ চৰ্চ্চাতে মাথোন আবদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা intellectual, moral নৈতিক আৰু useful অৰ্থাৎ দৈনিক জীৱনৰ লাগতিয়াল, অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন-যাত্ৰাৰ কাৰ্য্যবোৰৰ সহায়ক হব লাগে, তেহে শিক্ষা, স্কুল কলেজৰ বিদ্যাশিক্ষা, সম্পূৰ্ণ আৰু সৰ্ব্বাঙ্গসুন্দৰ হয়, নতুবা সি defective অৰ্থাৎ এধাতুথৰীয়া। এধাতুথৰীয়া শিক্ষা একেবাৰেই নিষ্ফল নহলেও, সি যে অনেক সময়ত বিপদজনক তাক স্বীকাৰ নকৰি নোৱাৰি। Moral শিক্ষা নোপোৱা বা কম পোৱা, বা সেই শ্ৰেণীৰ শিক্ষাক অগ্ৰাহ্য অৱহেলাকৈ পেলাই থওঁতা, অকল intellectual শিক্ষাকে সৰ্ব্বস্ব বুলি ধৰি লওঁতাৰ পৰিণামৰ উদাহৰণ—আজিকালিৰ অদ্ভুত চোৰ ডকাইত গ্ৰেজুৱেট অণ্ডৰ গ্ৰেজুৱেট কেইজনেই। অকল intellectual আৰু moral শিক্ষা হলেই আজিকালি গা নদয়, সেই দুটাৰ লগতে শিক্ষা সাংসাৰিক ক্ষেত্ৰত জীৱন-যাত্ৰাৰ নিমিত্তে useful অৰ্থাৎ অৰ্থকৰীও হব লাগিব, নতুবা এই যুগৰ অপৰূপ জীৱন-যুদ্ধত তোমাৰ হাৰ; আৰু ৰান্ধনি-ঘৰত সোমাই দেখিবা তোমাৰ চাউলৰ টেকেলি দাতি। আৰু একাষাৰ কথা ইয়াতে জোৰা দিওঁ, যে আমাৰ শিক্ষা অৰ্থাৎ ভাৰতীয়সকলৰ শিক্ষা Western পাশ্চাত্য হব লাগিব, কিন্তু Estern model-অত, অৰ্থাৎ প্ৰাচ্য সাঁচত। উদ্দালকৰ গুৰুগৃহৰ শিক্ষাৰ প্ৰণালী আজিকালিৰ নিমিত্তে শুকাল। সেই পবিত্ৰ সৰস্বতী নদীৰ সোঁতা আমাৰ উপকাৰৰ অৰ্থে নবৈ, জড়জগতত অন্তঃসলিলাৰূপে, আৰু শব্দজগতত মহাঅৰূপে হে এতিয়া বিদ্যমান। সেই কাল, সেই লোক, সেই সমাজ, সেই জীৱন যাত্ৰাৰ লক্ষণ, সকলো গল। আজিকালিৰ অৱস্থানুযায়ী শিক্ষাপ্ৰণালী হবই



লাগিব, নতুবা আগৰকালৰ বুৰঞ্জীয়া বিদ্যাত আজিকালিৰ চাবিচুকীয়া গজাল সুমা-ৱলৈ নোৱাৰা নিচিনা হব। এতিয়া আমি য়ুৰোপীয় ৰজাৰ প্ৰজা, আৰু য়ুৰোপীয় প্ৰজাৰ ওঁৰচুবুৰীয়া "ভাই-বেৰাদৰ"; তেওঁলোকৰ চিন্তা, বিদ্যা, জ্ঞান, কাৰ্য্যৰ আমি, ইচ্ছাপূৰ্ব্বকেই হওক বা অনিচ্ছাপূৰ্ব্বকেই হওক, অংশীদাৰ; তেওঁলোক নহলে আমাৰ নচলে, আমি নহলেও তেওঁলোকৰ নচলে; এনে স্থলত এই কালৰ উপযোগী Western পাশ্চাত্য শিক্ষা যে আমাক লাগে, তাত ভুল কি? কিন্তু সেই শিক্ষা দেশভেদে পৃথক হবই লাগিব, অৰ্থাৎ ভাৰতীয় সাঁচত তাক দৰা হব লাগিব। আমি পাশ্চাত্য শিক্ষা পালেও আমি যে য়ুৰোপীয় নহওঁ, ভাৰতীয় হে, সেইটো নাপাহৰি আমাৰ শিক্ষাৰ গাত ভাৰতীয় ছাব-মোহৰ থাকিব লাগিব। এনে ভাৱেহে য়ুৰোপীয় শিক্ষা জাপানে গ্ৰহণ কৰিছে; আৰু তাৰ ফলত এতিয়া জাপান কি, কাক কব লাগিছে? পশ্চিমৰ শিক্ষাৰে পূবৰ শিক্ষাৰ সঙ্গম হে আমাৰ আকাঙ্খিত শিক্ষা, আৰু এই দুধাৰাৰ সংযোগেই হে আজিকালি পৃথিৱীৰ শিক্ষাৰ আদৰ্শ প্ৰয়াগ-তীৰ্থ। চিন্তাশীল প্ৰাচ্য আৰু প্ৰতীচ্যসকলৰ অনেকে আজিকালি এই তত্ত্ব হৃদয়ঙ্গম কৰি আছিছে। "East is east and west is west, and never the twain shall meet" এইবাৰ যদিও এজন বৰ্ত্তমানকালৰ ডাঙৰ ইংৰাজ কবিৰ কথা আৰু সকলোৰে মুখ-বাগৰা বচন, কিন্তু বাস্তৱিকপক্ষত সি আধা সত্যহে (half-truth)। ওপৰ-চকুৱাই নিশ্চয় দেখিব, যে পূব পূবত পচিম পচিমত, দুয়ো বিপৰীত ফালে; এতেকে দুইৰো যোগ মিল কেতিয়াও নহয়। কিন্তু সুক্ষ্মদৰ্শীয়ে দেখিব যে পশ্চিম পূবৰ মাজত ছেদ নাই, আৰু বুৰঞ্জীয়া বস্তুৰ দুয়ো দুকাল। একালৰ অবিহনে আন কাল থাকিব নোৱাৰে, একালেৰে সৈতে সিকালৰ দৃঢ় সংযোগতহে দুইৰো অস্তিত্ব। আৰু তোমাৰ যিডোখৰ পূব, আন এজনৰ সেই ডোখৰেই পশ্চিম, আৰু সেই জনৰ তুমিয়েই পূব। আমি যাক Logic বোলোঁ, অৰ্থাৎ সকলোৱে পঢ়া বা স্বীকাৰ কৰা Logic-এ জগতৰ মহা মহা সত্য আৰু জটিল সমস্যাৰ সম্পূৰ্ণ উত্তৰ যে দিব নোৱাৰে, এই কথা আমি অলপ ভাবিলেই দেখিবলৈ পাওঁ। সি হওক, সেই বিষয়ে কৈ আজি আপোনা-লোকৰ সময় নষ্ট নকৰোঁ।

আমাৰ "প্ৰাইমেৰি শিক্ষা" ( Primary education ) অৰ্থাৎ প্ৰাথমিক-

শিক্ষা লাগে, আৰু সেই "এডুকেচন" free আৰু কম্পল্চৰি অৰ্থাৎ সেই প্ৰাথমিক শিক্ষা অবৈতনিক আৰু বাধ্যতামূলক অৰ্থাৎ সকলোকে পাবলৈ বাধ্য কৰা হব লাগে। য়ুৰোপত প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাৰ বাবেই যে য়ুৰোপৰ সৰ্ব্বসাধাৰণৰ উন্নতি, এই কথা আজিকালি আৰু কাকো বুজাই দিব নেলাগে। প্ৰাথমিক শিক্ষা আমাৰ দেশত Compulsoryকৈ অৰ্থাৎ বাধ্যতামূলককৈ নচলালে আমাৰ দেশৰ নিচিনা অনুন্নত আৰু অশিক্ষিত ঠাইত বিস্তাৰ: বিস্তাৰৰ আশা অনেক দূৰৈত। মহামতি গোখেলে যি প্ৰণালীত ভাৰতবৰ্ষত "প্ৰাইমেৰি এডুকেচন" অৰ্থাৎ প্ৰাথমিক শিক্ষা চলাবৰ প্ৰস্তাৱ কৰিছিল, সম্প্ৰতি সেই প্ৰণালীতে আমাৰ দেশত তাক চলালেই আমাৰ উপকাৰ। দেশৰ তল-থাপৰ মানুহবোৰ নিৰক্ষৰ হৈ থাকিলে ওপৰ-থাপবো যে উন্নতিত ব্যাঘাত জন্মে, সেইটো অলপ ভাবি চালেই দেখিবলৈ পোৱা যায়। সমাজ-শৰীৰৰ তলৰ শ্ৰেণীৰ অঙ্গত বল নাথাকিলে, আৰু উন্নতি আৰু বৃদ্ধিৰ গঢ় ওখ শ্ৰেণীৰে সমধৰ্মী নহলে, কাৰো যে উপকাৰ নহয়েই অপকাৰ হে সংসাধিত হয়। সমাজৰ তলৰ শ্ৰেণী অশিক্ষিত বা বিপৰীত ভাবে শিক্ষিত হলে ওখ শ্ৰেণীৰে সৈতে যোগভ্ৰষ্ট হৈ বিপৰীত পথগামী হয় আৰু ফলত সমাজ-শৰীৰে নিজৰ সকলো সম্মিলিত অঙ্গৰ সহায়ৰপৰা বঞ্চিত হৈ ৰসাতলৰ ফালে ঢাল হয়। অসমীয়া দুখীয়া; তেওঁৰ গাত ধনৰ বল নাই; আন দেশৰ মানুহৰ দৰে অসমীয়াই অকল নিজৰ বলেৰে এনেবিলাক কাৰ্য্য কৰিব নোৱাৰে.; সেইদেখি অসমীয়াই গৱৰ্ণমেণ্টৰ মুখৰ ফালে সতৃষ্ণ-নয়নেৰে সদায় চায়। সুখৰ বিষয়, আমাৰ পৰম উপকাৰী প্ৰজাৰঞ্জক চিফ কমিচনৰ আৰ্চ বাহাদুৰৰ অনুগ্ৰহত আমাৰ দেশত প্ৰাইমেৰি এডুকেচন ফ্ৰি হোৱাত আমাৰ দুখীয়া প্ৰজাৰ অশেষ উপকাৰহে হইছে; এইবাবে আমাৰ সকলো অসমীয়া ৰাইজ মহামতি আৰ্চ বাহাদুৰৰ ওচৰত সদায় কৃতজ্ঞ থাকিব।

Technical education অৰ্থাৎ যাক যন্ত্ৰবিদ্যা সম্বন্ধীয় বিদ্যা, শিল্প আৰু ব্যৱসায় সম্বন্ধীয় বিদ্যা বোলা যায়, আমাক বৰকৈ লাগে। আমাৰ বাৰিষ্টৰ, উকিল, ডাক্তৰ, প্ৰফেচৰ, মুনচুপ, চব্‌ডিপুটি হব নোৱৰাসকলে যি বিদ্যা শিকিলে নিজৰ ভাত নোকোলাই খাব পাৰিব, আৰু সেই সম্বন্ধে নিজৰ দেশৰ অভাৱ মোচন কৰি দেশক সমৃদ্ধিশালী কৰিব পাৰিব, তেনে বিদ্যা যে



আমাক বৰকৈ লাগে, তাত সন্দেহ কি? আমাৰ সকলো মানুহেই Successful অৰ্থাৎ পইচা পোৱা ডাক্তৰ উকিল হব নোৱাৰে, তালৈ ঠায়ো কম। অথচ আমাৰ দেশত আজিকালিৰ নতুন গঢ়ৰ কমাৰ কুমাৰ বাঢ়ৈ চৰ্ম্মকাৰৰ বিদ্যা আৰু কল-কাৰখানা আদিৰ বিদ্যা জনা লোকৰ যে কি ভয়ানক অভাৱ, তাক কৈ শেষ কৰিব নোৱাৰি। আমাৰ ডেকাসকলৰ এই ফালেও বৰকৈ লক্ষ্য থকা উচিত। আৰু এই শ্ৰেণীৰ বিদ্যা আমাৰ ডেকাসকলে শিকিবলৈ সুবিধা আৰু সস্তৰ হবৰ নিমিত্তে আমি গৱৰ্ণমেণ্টৰ ফালে স্বভাৱতে চাবই লাগিব। আমাৰ যি কেইজন ডেকাক গৱৰ্ণমেণ্টে য়ুৰোপ জাপান আদি ঠাইলে পঠিয়াই শিক্ষিত কৰি আনিছে, সেইসকলৰ দ্বাৰাই যাতে অসমে সুফল পায় তাৰ দিহা কৰিবলৈকো আমি গৱৰ্ণমেণ্টৰ ফালে চাব লগীয়াত পৰিছোঁ, কাৰণ আমাৰ ককালত বল নাই। য়ুৰোপ আদি দেশলৈ নগৈয়ো আমাৰ ডেকা-সকলে যাতে সাধাৰণ প্ৰকাৰৰ টেক্‌নিকেল্ এডুকেচন পাব পৰা হয়, তাৰ দিহা আমাৰ গৱৰ্ণমেণ্টে কৰে যেন, এই আশা কৰিলোঁ।

কিন্তু ইঞ্জিনিয়ৰিং আৰু মেডিকেল বিদ্যা শিকিবলৈ গৱৰ্ণমেণ্টে আমাক অনেক সুবিধা দি থৈছে। আমাৰ ডেকাসকলে সেই দুই বিদ্যা শিক্ষাৰ ফালে আৰু আগ্ৰহেৰে যোৱা উচিত। আমাক সৰহকৈ ডাক্তৰ আৰু ইঞ্জিনিয়ৰ লাগে, সেই দুটা বিদ্যাৰ বিভাগত আমি এতিয়াও মহা দুখীয়া। উচ্চ শিক্ষা পোৱা ডেকাসকলৰ সৰহভাগে ল অৰ্থাৎ আইনৰ চমক্-লগা মায়া-বন্ধন আৰু টান আকৰ্ষণৰপৰা আঁতৰি এই দুটা বিদ্যাৰ ফালে গলে বৰ ভাল কথা হব।

কম শিক্ষা পোৱাসকলে mechanical ইঞ্জিনিয়েৰিং শিকিবলৈ মন মেলা উচিত। ৰেলৰ ওৱৰ্কচপত, কলিকতাৰ ইঞ্জিনিয়ৰিং ফাৰ্ম্মবোৰৰ ওৱৰ্কচপত আৰু শিবপুৰৰ স্কুলত তেনে কাম শিকিবলৈ যোৱা উচিত; তেনেহলে তেওঁলোক ভাতৰ দুখত নপৰে। মটৰ গাড়ী চলাবলৈ শিকাটোও ভাল কাম। আজিকালি মটৰ গাড়ী চলাওঁতাৰ দৰমহাও কম নহয়; আৰু সেই বিদ্যা জানোতাৰ চাকৰীৰো আটক নাথাকে। অনেক লেখা পঢ়া নজনা পঞ্জাবী, আৰু জনা বাঙ্গালী ডেকাই কলিকাতাত এই কাম কৰি ভালকৈ জীৱিকা উপাৰ্জ্জন কৰি খাই-বৈ আছে।

চলাবলৈ মানুহৰ ঘৰত যি বিজুলীৰ তাঁৰ আদি খটাব লাগে তেনে বিদ্যাতো পইচা আছে। আমাৰ অলপ লেখা-পঢ়া শিকা ডেকসকলে এই ফালে দৃষ্টি কৰিলেও বেয়া নহয়।

Shorthand আৰু Type wirting এই দুটা শিকিও অনেক ডেকাই ভাল দৰ্ম্মহা পাই ভালকৈ থাকিব পাৰে। মেট্ৰিকুলেচন "ফেল" বা "পাছ" কৰোতা অনেক ডেকাই এই দুই বিদ্যালৈকো মন মেলা উচিত। ভালকৈ চৰ্টহেণ্ড আৰু টাইপ্ৰাইটিং জনা-একো একোজন মানুহৰ দৰমহা কলিকতাত, এশ, ডেৰশ, দুশ, তিনিশ, চাৰিশ, পাঁচশলৈকে থকাটো আমি জানো।

যিসকল ডেকাৰ সাহিত্যৰ প্ৰতি অনুৰাগ আছে, সেইসকলে সাহিত্য চৰ্চ্চাতে মন পুতি লাগক, তাতো তেঁওলোকে সুফল পাব। আমাৰ মাতৃভাষা আৰু সাহিত্য সেৱাৰ নিমিত্তে এই দল ডেকাই একাগ্ৰভাৱে লাগিব লাগিব, তেহে আমাৰ মাতৃভাষাৰ আৰু সাহিত্যৰ দাৰিদ্ৰ্য গুচিব। বিশ্ব বিদ্যালয়ৰ বি, এ, আই-এ পৰীক্ষাত "কোৰ্চ" বা "টেক্সট্ বুক" হবৰ উপযোগী কিতাপ বা সংগ্ৰহ আজিলৈকে হোৱা নাই; সেই ফালে আমাৰ এই দলৰ ডেকাসকলৰ দৃষ্টি আকৰ্ষণ কৰোঁ।

দেশ-সেৱা দেশহিতকৰ কাৰ্য্যত সকলো ডেকা ছাত্ৰৰ অনুৰাগ থকাটো উচিত। অৱশ্যে আজি দেখি সন্তোষ পাইছোঁ যে সেই ফালেও তেঁওলোকৰ মনযোগৰ ত্ৰুটী হোৱা নাই। ডেকা বন্ধুসকল! আপোনাসকলে কৰিবপৰা অনেক কাম আছে, সেইবোৰ আপোনাসকলৰপৰা সুফলমে হবও যে তাত সন্দেহ নাই। আপোনাসকলৰ অনেক গাৱঁৰপৰা আহিছে; গাৱঁৰ স্বাস্থ্য Sanitation কি ভাৱে ৰক্ষা কৰা যায়, গাৱঁলীয়া মানুহে গেলা-পুখুৰী বা পচা বিলৰ পানী খাই আৰু বেমাৰী মানুহৰ মলিয়ন কাপোৰ ধোৱা পুখুৰীৰ পানী খাই কেনেকৈ মাউৰ আদি নৰীয়াত পৰে, ভৰিত চৰকা লাগি কেনেকৈ গাৱঁলীয়া মানুহৰ হালৰ গৰু, খীৰতী গাই ধ্বংস হয়, ইত্যাদি আপোনাসকলে দেখিছে আৰু জানে। আপোনাসকলৰ কৰ্ত্তব্য, আৰু নগৰীয়া নগৰীয়া ছাত্ৰসকলৰো কৰ্ত্তব্য যে, সেইবোৰৰ হাত এৰাই কেনেকৈ থাকিব পাৰি, কেনেকৈ গাৱঁৰ স্বাস্থ্য Sanitation অৰ উন্নতি কৰিব পাৰি, সেইবোৰ বিষয়ে গাৱঁলীয়া সকলক জনাই দিয়া; বুজাই দিয়াটো। মহাত্মা গোখলেৰ Servant of India



Societyৰ আহিত আপোনাসকলে, পলিটিক্সৰ কাষলৈকো নগৈ, অন্ততঃ Servant of Assam Society এখন স্থাপনা কৰি অসমীয়া গাৱঁলীয়া আৰু নগৰীয়া মানুহৰ ভালৰ নিমিত্তে যত্ন কৰিব নোৱাৰে নে? আপোনাসকলে কলেজ স্কুল বন্ধ থকা এই দীঘল অৱসৰৰ সময় ডোখৰ আন কামৰ লগতে এনে কামত ব্যয় কৰিলে ঈশ্বৰৰ আশীৰ্ব্বাদ আৰু স্বদেশী গ্ৰামবাসীসকলৰ আশীৰ্ব্বাদ লাভ কৰি নিশ্চয় ধন্য হব।

এইবোৰ কথা মোৰ কোৱাৰ মকাম এইটোৱেই যে, প্ৰতিভা আৰু কাৰ্য্য সৰ্ব্বতোমুখী হোৱা উচিত, তেহে মহানেৰে সৈতে সমধৰ্ম্মী হোৱা যায়। মানুহৰ যত্ন আৰু সৎকাৰ্য্য সেই "মহান্ বৈ পুৰুষৰ" প্ৰাপ্ত হব লাগিলে সি বহুমুখী হবই লাগিব। গঙ্গা ব্ৰহ্মপুত্ৰই সাগৰত আত্মসমৰ্পণ কৰি সাগৰৰ গ্ৰহণীয় হবৰ সময়ত শতধাৰা হৈ হে পৰিছে।

পঢ়াশুনা কৰাৰ পিছত ব্যৱসায় বাণিজ্য কৰিবলৈকো আমাৰ ডেকাসকলে চকু ৰাখিব লাগিব। কিন্তু ব্যৱসায় বাণিজ্য কৰিবলৈ সেই বিষয়ে ভালকৈ শিক্ষাৰ আৱশ্যক। দুখৰ বিষয়, তেনে শিক্ষা পাবৰ সুবিধা আমাৰ ডেকাসকললৈ নাই বুলিলেই হয়।

স্ত্ৰীশিক্ষাৰ বিষয়ে ডেকাসকলক যত্ন কৰিবলৈ কোৱাটো নিশ্চয় বেছিব ভাগ। কাৰণ আজিৰ দিনত এনে শিক্ষিত ডেকা বোধ কৰোঁ নাই, যি স্ত্ৰীশিক্ষাৰ উপযোগীতাৰ বিষয়ে ভালকৈ হৃদয়ঙ্গম কৰা নাই। শিক্ষিতা স্ত্ৰী, শিক্ষিতা মাতা যে শিক্ষিত generation-অৰ পক্ষে অপৰিহাৰ্য্য আৰু অত্যাৱশ্যকীয় সেইটো আজিৰ দিনত আমাৰ স্কুল কলেজত শিক্ষিত ডেকাসকলক ন-কৈ কবলৈ যোৱাটো বাহুল্য মাথোন।

বন্ধুসকল! পুৰণি কথাৰে, অনেক পলসুৱা কথাৰে আজি আপোনাসকলৰ সময়ৰ অপব্যৱহাৰ কৰিলোঁ, সেইবাবে আপোনাসকলে মোক নিজগুণে ক্ষমা কৰিব। মোক আপোনাসকলে এই সভাৰ সভাপতিৰ আসনত বহিবলৈ দিয়াৰ বাবে আকৌ আপোনাসকলৰ প্ৰতি মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাওঁ। আকৌ কওঁ যে ঈশ্বৰৰ কৃপাত এই সভাৰপৰা যেন এনে সুফল ফলে, যাৰ দ্বাৰাই আমাৰ জননী জন্মভূমিৰ অশেষ কল্যাণ সাধিত হয়। এতেকে বন্ধুসকল, এনে ভাৱে কাম কৰি যাওক, যাতে আপনালোকৰ দ্বাৰাই জননীৰ মুখ উজ্জ্বল হয়।

আপনালোক লেখত তাকৰ, তাত একো কথা নাই; লেখত সৰহ হলেই যে মনুষ্যত্বৰ যোগ-ফল ( Sumtotal ) সৰহ হয় এনে নহয়। কোনে জানে, আপোনালোকৰ একো একোজনৰ ভিতৰত ঈশ্বৰদত্ত কি শক্তি নিহিত আছে? কোনে জানে কোন ক্ষুদ্ৰ বীজটিৰ ভিতৰত কি প্ৰকাণ্ড বটবৃক্ষ লুক্কায়িত? ঈশ্বৰৰ অংশ, ঈশ্বৰৰ সন্তান মনুষ্যৰ ভিতৰত ঈশ্বৰৰ শক্তি নিঃসংশয়ৰূপে নিহিত আছে। এতেকে এনে এদিন আসামৰ সুকপলাৰ গুনত আহিব পাৰে, আৰু পাৰে কি, আহিবই যে, সেই নিহিত শক্তিয়ে ঈশ্বৰৰ অনুগ্ৰহত মাহেন্দ্ৰক্ষণৰ সুযোগ পাই সম্পূৰ্ণৰূপে বিকাশিত হৈ জগতক আচৰিত কৰিব। অসমীয়াৰ ভিতৰৰ পৰাই, ঢেকীয়া কচুৰে গঢ়া অসমীয়াৰ শৰীৰৰ পৰাই মোমাইতামুলি বৰবৰুৱা, লাচিত বৰফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই, শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ, আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱাৰ জন্ম হৈছিল। History repeats itself এইটো বহুদৰ্শীতাৰ সিদ্ধান্ত নহয় নে? কোনে জানে, কোনে কব পাৰে যে ৰত্নগৰ্ভা আসামৰ গৰ্ভত আকৌ তেনেকুৱা প্ৰতিভাশালী সন্তানৰ জন্ম নহব? God's ways are inscrutible. নানা বিপদ নানা বিপ্লৱে জুৰুলা কৰা আসাম পুনৰ সুস্থ সবল হৈ আকৌ যে বিদ্যা জ্ঞান, ধন-ধান্য, সুপুত্ৰ-সম্পদেৰে বিভূষিত নহব এই কথা কোনে কব পাৰে? ঈশ্বৰৰ অনুগ্ৰহ হলে মূক বাচাল হয়, পঙ্গুৱে গিৰি লঙ্ঘন কৰে। আপোনালোকে সত্য, ন্যায়, ধৰ্ম্মৰ পথৰপৰা বিচলিত নহৈ, একাগ্ৰধীয়া ভাৱে নিজৰ কৰ্ত্তব্য কৰি যাওক, নিশ্চয় দেখিব, স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিৰ মঙ্গল সাধিত হৈছে।

---

Printed by K. C. Chakravartty,—Girish Printing Works
57, Sukea Street,—Calcutta.

# আৰতি।

( ১ম )

কোন সৰগৰ জেউতি নামিছে,
উজলি পৰিল ধৰা?
কোন কাননৰ কুসুম ৰাশিৰ
গোন্ধে মন প্ৰাণ হৰা?

কেনি নো আহিছে মলয়াত ভাহি
মিলন মধুৰ সুৰ,
হৃদয় তলিৰ ভাৱৰ যমুনা
কিয় আজি ভৰপুৰ?

হেঙুলি বৰণে কিয়নো অকণে
সিঁচিলে মুকুতা মণি?
সন্ধানে যতনে প্ৰকৃতি ৰাণীৰ
বিহাৰ আচঁলখনি?

উপচি পৰিছে আনন্দৰ ৰাশি,
নাই প্ৰকাশৰ ভাষা;
নতুন বাতৰি কোনে আনি দিয়ে—
প্ৰাণত নতুন আশা।

বতাহৰ সতে তটিনী বুকুত
পুৰা সুকৰৰ খেলা,
কোনে হৰি আনি সুন্দৰ ছবিটি
পাতিছে প্ৰেমৰ মেলা?

নতুন ভাবৰ এটি সোঁত কিয়
বলিছে জগত জুৰি,
কোনে নো বজায় জীৱনৰ বীণ
সুমধুৰ সুৰ ধৰি?

কাৰ পৰশত হাঁহি মুখে সবে
সজীব মুৰতি পালে ?
নিৰাশ আন্ধাৰ বিষাদ ছবিটি
কিয় আঁতৰাই থলে ?
আজি হৰষত গছলতা বনে
কিয় আছে বাট চাই ?
কিবা যেন এটি গুপুত বাতৰি
কাণে কাণে কবলই।
হৃদি-সৰগৰ প্রেম-পাৰিজাত
মুকলি বতাহ পাই,
মুকলি মনেৰে জগত মাজত
সৌৰভ বিলায় যায়।
হিয়াৰ বন্ধোন মেলি দিলোঁ আজি
মুকলি পৰাণ মোৰ ;
প্রাণে প্রাণে মিলি সাবটাসাবটি
নপৰে সুখৰ ওৰ।
পর্ব্বতে ভৈয়ামে উঠক হৰষে
প্রেমৰ মোহিনী তান
ছখীয়া নিচলা যতে যেয়ে আছা
কৰাঁ আহি যোগদান।
মাতৃ মন্দিৰৰ সোণৰ কলচী—
চোৱাঁ হেৰা সন্মুখত,
সোণালী বৰণে জিকমিক্ কৰি
জিলিকিছে হৰষত
বলাঁ আওবাই নপৰিবা পিছ
আৰু বেছি দূৰ নাই,
জীৱনৰ এয়ে সুখৰ সপোন
দিঠকতে পাবা ভাই।



কত চেনেহৰ আশাৰ পুলিটি
ৰুলোঁ আজি হেপাহেৰে,
শত হৃদয়ৰ শুভ ইচ্ছা ধাৰা
ঢালোঁ আজি যতনেৰে।

আঁহা আজি হেৰা নতুন উছাহে
নতুন বেশেৰ সাজোঁ,
অৱনত শিৰে যাওঁ ধীৰে ধীৰে
আজি যে মাতৃৰ পূজা।

( ২য় )

(১)

পুন্য ভাৰতীৰ খোপাৰ মালতী
হে মোৰ দুখুনী জননী,
যুগে যুগে তুমি কল্যাণময়ী
স্নিগ্ধ শান্তিদায়িনী !
কত অতীতক সাবটি বুকুৰে,
সোণবৰণী ধৰি আছা একে থিৰে,
নিজৰ ভাবত জগত মাজত,
অতীত গৌৰব বাহিনী ;
বিতৰাঁ হে আজি করুণা কণিকা
হে মোৰ সাদৰি জননী.

( ২ )

প্রথমে পুৱাতে কনক কিৰণে
তোমাৰ গগন শোভেহি ;
পোহৰৰ শিশু পোহৰত ভাহি
পোহৰৰ মলা ধৰেহি।
তোমাৰ বুকুৰ বনৰ মাজত
বনৰ চৰায়ে গছৰ ডালত,

নানা সুৰ ধৰি, স্তুতি গান কৰি,
হৰষে তোমাক পূজেহি।
প্ৰকৃতি দেবীয়ে পোনতে তোমাৰ
যতনে যোগান ধৰেহি।

(৩)

তোমাৰ কোলাতে ৰজা ভগদত্তে
গৌৰব-মুকুত লভিলে,
মহাভাৰতৰ ভীষণ ৰণত
অক্ষয় কিৰিটি বান্ধিলে।
কুণ্ডিল তীৰৰ অতি—চেনেহৰ,
ফুলা ফুলপাহী ফুলনি মাজৰ,
চেগ চায় চোৰে এ দিন অকলে
দেৱ মন্দিৰতে হৰিলে।
তোমাৰ জীয়াৰী উষা সুন্দৰীয়ে
ৰূপতে ভুবন মুহিলে।

(৪)

মহা আনন্দেৰে ভাস্কৰ বৰ্ম্মাই
বিজয় বাজনা বজালে।
ভাৰত সম্ৰাটে মানৰ শৰাই
যতনেৰে আগবঢ়ালে।
সতী জয়মতী সতীত্ব তেজেৰে
জগত মাজত অসীম সাহেৰে,
পতিৰ কাৰণে নিজ প্ৰাণ দানে
সতীৰ সন্মান ৰাখিলে।
বীৰত্ব চানেকী লাচিত ফুকনে
শৰাইঘাটতে দেখালে



(৫)

সুললিত সুৰে শঙ্কৰ মাধৱে
জগালে জগত, জননী,
শুনা ঘৰে ঘৰে বাজিছে আজিও
মধুৰ ভক্তিৰ ৰাগিণী।
অনন্ত কন্দলি আদি কৰি কত,
কবি ফুলনিত ফুলি শত শত,
সাধি নিজ কাম, ৰখালে সুনাম,
শুৱালে সাহিত্য ফুলনি ;
চৌদিশে পৰিল বিমল কিৰণ
উজলি উঠিল ধৰণী।

(৬)

আজি দলে দলে সেৱকসকলে
উলাহেৰে কাষ চাপিছে,
পূজিব তোমাৰ ৰাতুল চৰণ
বৰ হেঁপাহেৰে আহিছে ;
অপৰাজিতাৰ জয়মালা ধৰি,
আনিছে যতনে বহু আশা কৰি,
তযু চৰণত ভক্তি আবেগত
সেৱকে আসন পাতিছে ;
হৃদয় দান লোৱা হে জননী
বৰ হেঁপাহেৰে আনিছে।

(৭)

শত শত কণ্ঠে মন্দিৰ মাজত
উঠিছে তোমাৰ আৰতি,
কুসুম সুবাসে উৰি চৌপাশে
জগায় প্ৰাণত প্ৰণতি।
নেলাগে জননী ধন জন মান,
ক্ষুদ্ৰ কণ্ঠে যেন গাওঁ তযু গান,

পুৰোৱাঁ বাসনা, মনৰ কামনা,
জয় মা জননী ভাৰতি !
জীৱন বীণত সুৰটি তোমাৰ
বজাবৰ দিয়াঁ শকতি।

(৮)

সঙ্গীতে যেন আকাশ বিয়পি
তোলক বিশ্বৰ চেতনা ;
দীনতা জড়তা দূৰ হই যক,
অাঁতৰক যত বেদনা।
পূৰ্ণিমা পোহৰে উজলাই ধৰা,
নামক ধীৰেৰে সৰগৰপৰা,
পৰি জীৱনত আন্ধাৰ বাটত
চালক আশীষ কৰুণা।
নমো শতবাৰ, হে মোৰ জননী !
চিৰ জীৱনৰ সাধনা।•

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

# আবাহন।

১৯১৬ চন।

আসাম এচোচিয়েচনৰ অধিবেশনত পঢ়া হৈছিল।

১। পূৰ্ণ আবেগ ভৰা, আজি কি উজ্জ্বল ধৰা,
আজি কি জাগ্ৰত নিদ্ৰিত আসাম ?
আজি কি পূজিব, জননী সেৱিব,
কৰিব আৰতি পুত্ৰৰ কাম ?

• গুৱাহাটীত যোৱা ২৫ ডিচেম্বৰত বহা অসমীয়া ছাত্ৰ সন্মিলনীত এই কবিতাটী পঢ়া হৈছিল আৰু এই সংখ্যা বাহীৰ প্ৰথমতে ওলোৱা "সভাপতিৰ অভিভাষণ"টোও সেই সভাৰ সভাপতিৰে বক্তৃতা। সম্পাদক।



২। আজি শুভদিন, উন্নতিৰ চিন,
আজি হে উদয় সৌভাগ্য-ৰবি।
আজি পুণ্য দিন, আজি ধন্য দিন,
আজিহে ধৰিছে উজ্জ্বল ছবি॥

৩। এই দৰে যেন, একতা বান্ধোন
সততে আমাৰ থাকে চিৰদিন।
এই দৰে যেন, পূজোঁ জন্মভূমি,
নহওঁ সদা ঘৃণিত হীন॥

৪। ইদৰে সদায়, আদৰ্শ দেখাই,
ভবিষ্যৎ বাট উজ্জ্বল কৰি।
যাওঁ আগ বাঢ়ি, এক লক্ষ্য ধৰি,
উন্নত জাতিৰ লবোঁ পাছ ধৰি॥

৫। এয়ে জীৱনত, কৰি লওঁ ব্ৰত,
এই ধৰ্ম্মপট অক্ষুণ্ণ ৰাখি।
দীনা জন্মভূমি, কৰোঁ কৰ্ম্মভূমি,
উৰোঁ কৰ্ম্ম পথে ধৰি নব পাখি॥

৬। দীন দয়াময়, ঈশ্বৰ সহায়,
হোক আহি যেন আমাৰ ব্ৰতত।
সকলোৱে মিলি, জাতি ধৰ্ম্ম তুলি,
লবোঁ যেন সদা কৰ্ম্মৰ পথত॥

৭। এলাহ-নিহালি, কাতিকই থই,
লাগি যাওঁ আমি জননীৰ কামে।
এলেহুৱা জাতি, নেবাখোঁ অখ্যাতি,
কলঙ্ক নেৰাখোঁ আৰু সেই নামে॥

৮। এতেকতে আহাঁ, সকলোৱে মিলি,
কৰোঁ আহাঁ সবে আৰতি গান।
সেৱোঁ জন্মভূমি, পূজোঁ জন্মভূমি,
স্বৰ্গশ্ৰেষ্ঠা বুলি বঢ়াই মান॥

শ্ৰীআজিজৰ ৰহমান। গুৱাহাটী।

---

# ৰজা ঘৰীয়া পুৰণি চিঠি।

( ১২ )

১৫৮৫ শকত জয়ধ্বজ মহাৰাজা স্বৰ্গী হলত, সেই শকতে চক্ৰধ্বজ সিংহ অসম দেশৰ ৰজা হয়। কম্ম বুঢ়াগোহাঞে স্বৰ্গদেৱত বুজাই কলে যে জয়ন্তাৰ ৰজাৰ পত্ৰত এক দোষ নাছিল আৰু কিবা দোষ থাকিলেও সি নিচেই সামান্য; "বিস্তৰ গুণৰ নিকটত এক দোষক নচাই" "পঞ্চপত্ৰ" সম্বন্ধে যি কথা কৈছে সম্ভৱতঃ সেই কথা উকীলৰ মুখৰ হে। স্বৰ্গদেৱক, বুঢ়া গোহাঞি ডাঙ্গৰীয়াই এই দৰে বুজাই কোৱাত স্বৰ্গদেৱে জয়ন্তাৰ উকীলক ধাৰাণেৰে তুলি বিদায় দিব দিলে। সেই অনুসাৰে তলত লিখা চিঠি দি জয়ন্তাৰ উকীল ৰামাইক বিদায় দিলে আৰু তেওঁৰ লগত আমাৰ কটকী কোমোড়া খোৰাকে, নাৰায়ণকে লগত দিলে। চিঠি এই :—

"স্বস্তি পৰম মঙ্গলোদাৰগুণগণার্ণৱ মহামহিমমহিমাৰন্ত কন্দর্পদর্প খর্ব্বিতাঙ্গ শ্ৰীশ্ৰীমৎ যশমন্তৰায় চৰিত্ৰচিত্ৰিত গুণ সমূহেষু।"

"সৌহাৰ্দ্দ পূৰ্ব্বক লিখনং প্ৰয়োজনঞ্চ। এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি। পৰং তোমাৰ লেখন আসিল, সমাচাৰ পৰম প্ৰীতি জানিলো। বিশেষ আপদে সম্পদে যে সকলে বাঞ্ছে, তাকে সে মিত্ৰ বুলি; এতেকে আপদ কালত তুমি আমাৰ কুশল বাঞ্ছা; ইহাত আমাৰ বড় সন্তোষ; তোমাৰ আমাৰ প্ৰীতি গোট নবীন নাহয়; পূৰ্ব্বাপৰ যেমন ধাৰণে চলিয়া গৈছে, তাক তুমি আপুনি জানা; এতেকে সেই পূৰ্ব্ব ধাৰাণে যদি ৰহে, তেবেসে প্ৰীতিও ৰহে; পূৰ্ব্ব ধাৰাণে যদি নাৰহিল, তেবে প্ৰীতি কেমনে ৰহিব। আৰ দেখ যি তুমি শত্ৰুক পাৰিবাৰ কাৰণ কহি পঠালা, হয়, প্ৰীতিত থাকি কহিবাক পাৰা কিন্তু বাৰম্বাৰ বঙ্গালক যেমন কৰিছো তাক তুমি আপুনি দেখিছা। দৈবদোষে যদি একবাৰ ঘাটি খাইছোঁ, তেনেকি আমাৰ কাৰ্য্য কাম গুচিছে। কিন্তু তোমাৰ আমাৰ যেমনে প্ৰীতিগোট অধিকাধিক হয়, তেমন থানক মাত্ৰ কৰিবা; আৰ আমি অধিক কি কহিম, আপুনি সমস্তে জানা। আৰ যি কিছু বাকী সমাচাৰ হয়, শ্ৰীনাৰায়ণ, শ্ৰীকোমোড়া কহিবেক। আৰ তোমাৰ অৰ্থে সন্দেশ, কতিপা ১ থান, কিৰ্ম্মিজ ১ থান, ধাড়া ২ থান, কস্তুৰী ৪, চামৰ ২, কটাৰী ২০, মৰিচ ৪ টোপা, গাঠিয়ন ১ সোনা। হাতভেটা বালিয়া ১ থান। ইতি শক ১৫৮৬ তেৰিখ ২ বৈশাখ মাস।"



এই চিঠিৰপৰা স্বৰ্গদেও চক্ৰধ্বজ সিংহৰ আত্ম মৰ্য্যাদাৰ বোধ কিমান ওখ আছিল, তাক ভালকৈ বুজিব পাৰি। জয়ন্তাৰ ৰজাই মিৰজুমলাই অসম দেশ মৰাৰ কথা উল্লেখ কৰি, তেওঁ যে তাত অসম ৰজাক কোনো সহায় কৰিব নোৱাৰিলে, তাৰ বাবে বেজাৰ কৰি চিঠি দিছিল, আৰু ভবিষ্যতে সহায় কৰিবলৈ প্ৰতিশ্ৰুত হৈছিল কিন্তু চক্ৰধ্বজে সেই কথাত সন্তোষ পোৱা দূৰত থাওক, বেজাৰ হে পালে আৰু তাৰ উত্তৰত লেখিলে, যে আগেয়ে মছলমানে যিমান বাৰ অসম আক্ৰমণ কৰিছিল, এটাই কেইবাৰ হাৰ মানি উভতি যাব লগাত পৰিছিল, কিন্তু মিৰজুমলাৰ আক্ৰমণৰ বাৰ, এবাৰ মাথোন, আমাৰ ৰজাই ঘাটি খাইছিল, সেই গুণে তেওঁ তাক একো ডাঙ্গৰ কথা বুলি ভবা নাছিল। এনে উত্তৰ শৰাইঘাটৰ যুদ্ধৰ প্ৰতিষ্ঠা কৰোঁতা চক্ৰধ্বজ সিংহৰ উপযুক্তই হৈছিল। মিৰজুমলাৰ হাতত পৰাজয় হোৱাত আমাৰ যি গৌৰৱৰ লাঘৱ হৈছিল, শৰাইঘাটৰ যুদ্ধত তাৰ মূলে-তুলে উঠিল আৰু তাৰ বাবে অসমীয়া জাতিয়ে চিৰকাল চক্ৰধ্বজ সিংহ আৰু তেওঁৰ বিচক্ষণ সেনাপতি লাচিত বৰফুকনৰ শলাগ লব।

( ১৩ )

চক্ৰধ্বজ সিংহে নৰ্ত্তঙ্গীয়া ৰজালৈ উত্তৰ দিয়া চিঠি এই :—"এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ কুশল আসিল; সমাচাৰ পৰম প্ৰীতি জানিলো। আৰ দেখ তুমি যি প্ৰীতিৰ কাৰণ কহিছিলা কহিবাক পোৱা কিন্তু পূৰ্ব্বাপৰে যেমন ধাৰণে প্ৰীতিগোট চলি গৈছে, তাক তা আপুনি জানা। এখনো যদি সেই ধাৰণে ৰহে, তেবেসে প্ৰীতি ৰহে। আৰ বঙ্গালৰ কাৰণ যি কহিলা কহিবাক পোৱা কিন্তু বাৰম্বাৰ বঙ্গালক যেমন থান কৰিছো তাকতো আপুনি জানা। বিশেষ প্ৰীতিত থাকি যি থান বুলিলা, ইহাত আমাৰ বড় সন্তোষ। আৰু বাকী সমাচাৰ কটকী প্ৰমুখে জানিবা; আৰ তোমাৰ অৰ্থে সন্দেশ, কস্তুৰী ১, কটাৰী ১০ থান, চাড়া ২ থান, চামৰ ১, মৰিচ ১ মোনা, গাঠিয়ন ১ মোনা।" এই চিঠিতো সেই একে সুৰেই।

( ১৪ )

জয়ন্তা ৰজাৰ "কোল পত্ৰৰ" উত্তৰত ৰাজমন্ত্ৰী কম্ম বুঢ়া গোহাঞি প্ৰমুখে তিন জনা ডাঙ্গৰীয়াই এই চিঠি দিছিল।

"এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখন আসিল, সমাচাৰ

পৰম প্ৰীতে জানিলোঁ। বিশেষ নিদানতো তুমি আমাৰ কুশলক বাঞ্ছা, আত আমাৰ বহুত সন্তোষ। পৰঞ্চ তুমি যি প্ৰীতিৰ কাৰণ কহিলা হয়, কহিবাক পোৱা। ৮তাত্র নড়া মাঙ্গতৰা, আন ৰজা সকলৰে প্ৰীতি কৰিছে কিন্তু তোমাৰ সঙ্গে যেমত প্ৰীতি গোট আছে, আনৰ এমত প্ৰীতিগোট নঘটিছে। তোমাৰ জয়ন্তাপুৰ গৰগ্ৰামে হৈছে, আৰ আমাৰ গড়গ্ৰাম জয়ন্তাপুৰে হৈছে। এমত অভিন্ন প্ৰীতি গোট চলি গৈছে ; এতেকে সেই প্ৰীতি গোটকো পূৰ্ব্বধাৰণে সে ৰক্ষা কৰে। যদি পূৰ্ব্ব ধাৰণে নাৰহিল, তেবে প্ৰীতি কেমনে ৰহিব। এতেকে পূৰ্ব্ব পূৰ্ব্ব প্ৰীতিগোট যেমন ধাৰণে চলি গৈছে, ইদানিক সেই প্ৰীতিগোট যেমনে অধিকাধিক বাঢ়িয়া যাই, আমিও তাকে সে বাঞ্ছা কৰো। আৰ ৰাজা প্ৰীতিগোট হৈলে যেমত হয়, তাকতো আপুনি জানা। আৰু অধিক আমি কি কহিম ; তুমি আপুনি সৰ্ব্বজ্ঞ। বাকী সমাচাৰ, শ্ৰীনাৰায়ণ, শ্ৰীকোচোড়ায়ে কহিবেক। আৰু সন্দেশ ; ঢ়ড়া ২থান, কটাৰী ২ থান, মৰিচ ২ টোপা, ইতি শক ১৫৮৬ তেৰিথ ১২, মাসে বৈশাখ।"

ডাঙ্গৰীয়াসকলে লিখা চিঠিৰ লগতো সন্দেশ অৰ্থাৎ ভেটী পঠোৱা দস্তৰ আছিল এনে "কোল পত্ৰৰ" চলতি কোন ৰজাৰ দিনৰপৰা হয় তাক বুজিব পৰা নাই।

(১৫)

ওপৰত দিয়া চিঠিৰ উত্তৰত জয়ন্তাৰ ৰজাই চক্ৰধ্বজ সিংহলৈ দিয়া পত্ৰ এই :—

"এথা কুশল, তোমাৰ কুশল মঙ্গল সদা বাঞ্ছা কৰি। পৰং তোমাৰ লিখন পত্ৰ আইল। সমাচাৰ পৰম প্ৰীতি জানিলাম। সন্তুষ্ট হৈলাম কিন্তু লেখি আছিলাই পূৰ্ব্বাবধি যেমত প্ৰীতি কুটুম্বিতা চলিয়া আইলে, তাক কৰিবাৰ তুমি ভালাই লেখিছিলাই। প্ৰীতি আজিৰ নবীন নাহয়। তোমাৰ আমাৰ অচল প্ৰীতি পূৰ্ব্ব চাড়িয়া যেদিন সূৰ্য্য পশ্চিমে উদয় হয়, কলা কাক শ্বেতবৰ্ণ হয়, তথাপিও আমি এমত জানিয়া, তোমাৰ আমাৰ প্ৰীতি চলিবাৰ নাহয়। অতঃপৰ, যেমতে আগে প্ৰীতি কুটুম্বিতা হৈ আছে, তাহাতে অধিক প্ৰীতি কুটুম্বিতা আমি কৰিম, তোমাৰ সহিত। মাত্ৰ তুমিও তেমত কাৰ্য্য কৰিবাই যেন দেশ বিদেশৰ লোকে শুনিয়া প্ৰশংসা কৰে ; সকল দিন যেমত চলিয়া গৈছে, তাহান অধিক যেন হৈয়া যায়। আৰু বঙ্গালে যি কিছু কাৰ্য্য কৰিল, সে কৰিবৰ কি ; দৈবগতি হৈবাৰ আছিল হৈল। তুমি আপুনে কুশলে আছ ; সে ৰাজ্য, সে লোক সকলে আছে। বঙ্গালৰ নিবন্ধে আনিছিল, আনি বা নাইল। একাৰণে মনে কিছু দুখ নকৰিবাই। ই দুখে আমিও দুখী



আছি। গড়গ্ৰাম, জয়ন্তী দুই হেন নাজানিবাই। বঙ্গাল, তোমাৰ আমাৰ শত্ৰু ; তোমাৰ আমাৰ এক বুদ্ধি হৈলে, সকলে ভাল হৈব। আৰু ভাল মন্দ যে হয়, যে কাৰ্য্য যাৰ উপস্থিত হয়, এতে যদি অন্যোন্য বাৰ্ত্তা পহুছিব আৰু অন্যোন্যে সহাই নাভজিব তাৰ প্ৰীতিৰ গুণ কি ? আৰু বিশেষ কি লিখিম। বাকী সমাচাৰ, তোমাৰ দুই কটকী, আমাৰ ৰামাই কটকীৰ প্ৰমুখে জ্ঞাত হৈবাই। আৰু কটকীক বিলম্ব কৰণ ভাল নাহয়। ততকালে প্ৰত্যুত্তৰ কুশলাদি সমাচাৰ লেখিয়া সন্তুষ্ট কৰিবাই। তোমাৰ আমাৰ কুটুম্বিতা অধিক, প্ৰীতি ভালৰূপে হৌক। যেন সকলে শুনিয়া ধন্য ধন্য কহে ; কিমধিকং বিজ্ঞেষু। আৰু তোমাৰ নিমিত্ত পত্ৰ সন্দেশ, কাপৰ শাল ৭ থান, খাসা ৩ থান, নেহা ৬০ থান, এবে পঠাইতেছি। ইতি শক ১৫৮৬, তেৰিখ, আশ্বিন মাস।"

এই চিঠি ১৫৮৭ শকৰ ২৫ জেঠত আমাৰ ৰজাৰ ওচৰ পালেহি অৰ্থাৎ ৯ মাহৰ মূৰত। চিঠি আহোতে ইমান পলম কিয় হল তাৰ কাৰণ একো বুজিব নোৱাৰি। জয়ন্তাৰ ৰজাই এইটো কথা ভালকৈ বুজিছিল যে মছলমানে অসমদেশ লব পাৰিলে, তেওঁৰ দেশ যে অতি সহজে লব, তাৰ কোনো কথায় নাই। সেই গুণেই তেওঁ অসম ৰজাৰ লগত এক গাঁথা হবৰ নিমিত্তে ইমান ব্যগ্ৰ হৈছিল।

(১৬)

নৰ্ত্তঙ্গীয়া ৰজাই আমাৰ ৰজালৈ তলত দিয়া চিঠিখন পঠাইছিল ; চিঠিখনৰ পাঠত এটা "শ্ৰী" মাথোন দিছিল।

"এথা কুশল, তোমাৰ কুশল মঙ্গল সদা বাঞ্ছা কৰি ; পৰং তোমাৰ লিখন পত্ৰ আইল। সমাচাৰ পৰম প্ৰীতে জানিয়া সন্তুষ্ট হৈলাম কিন্তু প্ৰীতি আজিৰ নবীন নাহয়। পূৰ্ব্বাবধি চলিয়া যাইতেছে ; অতঃপৰ তাহানে যে আগ অধিক প্ৰীতি কুটুম্বিতা হয় ইসে প্ৰশংসনীয়। আৰু গৰগাঞ জয়ন্তী দুই হেন নাজানিবাই। এক ঘৰ প্ৰায় চলিয়া যাইতেছে। এতেকে দিনের্দ্দিন যেমতে অধিক প্ৰীতি হয় তাক কৰিবাই। বাকী সমাচাৰ তোমাৰ দুই কটকী ও আমাৰ ৰামাই কটকীৰ প্ৰমুখাৎ জ্ঞাত হৈবাই ; আৰু কুদাল ৫ থান পঠাইতেছি। কিমধিকং বিজ্ঞেষেষু। ইতি শক ১৫৮৬ তেৰিথ ২৮, মাস আশ্বিন।"

(১৭)

১৫নং চিঠিৰ "কোল পত্ৰ" স্বৰূপে জয়ন্তাৰ ৰজাই আমাৰ ৰাজমন্ত্ৰী কম্ম বুঢ়া গোহাঞিলৈ দিয়া পত্ৰ এই :—

"এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখন 'প্ৰীতি পুৰ্ব্বকে জানিলাম। তুমি ভাল লিখিছিলাই। প্ৰীতি আজিৰ নবীন নাহয়; পুৰ্ব্বাবধি চলিয়া যাইতেছে। অতস্পৰ আগে যেমত প্ৰীতি কুটুম্বিতা হইছে, তাহান অধিক প্ৰীতি কুটুম্বিতা, আমি কৰিম। মাত্ৰ তুমিও তেমত কাৰ্য্য কৰিবাই যেন আৰদি হলে, লোকে প্ৰশংসা কৰে; আৰ গড়গাঞা জয়ন্তী দুই হেন নাজানিবাই। আৰ বঙ্গাল তোমাৰ শত্ৰু। এক বুদ্ধি হৈয়া যেমনে নিৰ্য্যাতন কৰিবাক পাৰি তাকে কৰিবাই। আৰু ভাল মন্দ যেদিন যাৰ কাৰ্য্য উপস্থিত হয়; এতে যদি প্ৰত্যুত্তৰ বাৰ্ত্তা নপহছিল, আৰু অন্যোন্য সহায় হৈয়া শত্ৰু নিৰ্য্যাতন নকৰিবা তেবে প্ৰীতিৰ গুণ কি? আৰু বিশেষ কি লিখিম। বাকী সমাচাৰ তোমাৰ দুই কটকী ও আমাৰ কটকীৰ প্ৰমুখে শুনিবাই আৰু কটকী বিলম্ব নকৰিবাই; ওতকালে প্ৰত্যুত্তৰ লিখিয়া কটকী পঠাইবাই। আৰু তোমাৰ নিমিত্তে শাল ১, গাড়া ১, তেইশগজী পাঠাইতেছি এৰে লৈবাই। ইতি শক ১৫৮৬ তেৰিখ ৪, আশ্বিন মাস।"

এনেকুৱা "কোল পত্ৰ" বৰ গোহাঞি আৰু কলিয়াবৰিয়া ঘোড়া কোৱঁৰ বৰ ফুকনলৈকো আনিছিল। পাছে নৰ্ত্তঙ্গীয়া ৰজাৰ পত্ৰৰ পাঠত এটা "শ্ৰী"ধকাত স্বৰ্গদেৱে দুষণ ধৰি বুলিলে, যে জয়ন্তাৰ ৰজা আৰু নৰ্ত্তঙ্গীয়া ৰজা উভয়োলৈকো পত্ৰৰ উত্তৰ নিদি তেওঁবিলাকৰ উকীল বনাইক বিদায় দিব লাগে। গোহাঞি সকলৈ দিয়া "কোল পত্ৰ"ৰ উত্তৰ দিবলৈ কলে। সেই অনুসাৰে, কোল পত্ৰৰ উত্তৰ দি জয়ন্তাৰ উকীলক কৰু বুঢ়াগোহাঞে বিদায় দিলে। উকীলক আমাৰ মানুহেগৈ সিমনাত আগবঢ়াই থলেগৈ। জয়ন্তাৰ ৰজাৰ পত্ৰত আৰু "কোল পত্ৰত" কোনো দোষ নাছিল, সেই গুণে জয়ন্তাৰ ৰজাৰ পত্ৰৰ উত্তৰ নিদিয়াতো বৰ ভাল কাম হোৱা নাছিল। জয়ন্তাৰ ৰজাই এই কথাত বৰ বেজাৰ পাই, আমাৰ ৰজালৈ চিঠি দিছিল।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---



# চিকাৰ সুখ।

(১)

মানুহৰ জীবনৰ ভিতৰত যদি কেতিয়াবা সুখৰ দিন আছে তেন্তে সেইটো ছাত্ৰজীৱনেই। সেই সময়ত কোনো ৰকমৰ চিন্তা ভাবনাই ঠাই নাপায়, চিন্তাৰ ভিতৰত কেৱল লেখা আৰু পঢ়া, তেতিয়া কোনো ৰকমৰ কপট বা আন কোনো কু ভাবে আগুৰি নধৰে; লগৰ বন্ধুৰ লগত দেহ মন খুলি কথা কোৱা যায়, সেই সময়ৰ বন্ধু অকৃত্ৰিম, হেলাৰঙ্গে খাইবৈ কেৱল পঢ়িব লাগে, ভাত কাপোৰ বা আন কোনো বস্তুৰ অভাৱৰ চিন্তা নাথাকে, দুখীয়াই দুখী অৱস্থাতে আৰু সুখীয়াই সুখী অৱস্থাতে থাকিয়েই—সন্তোষ পায়, কোনো জনে কোনোটোক হেয় জ্ঞান নকৰে। সেই লৰাকাললৈ মনত পৰিলে এতিয়াও যেন আকৌ আগৰ দৰেই লৰা হম এনে এটা ভাব বোধ কৰোঁ। সকলোৰেই হয়।

কিন্তু যেতিয়া লেখাপঢ়া শিকি থিয়েটাৰ যেন সংসাৰত প্ৰবেশ কৰা হয়, তেতিয়া আৰু সেই ভাব নাথাকে—তেতিয়া "হা টকা হা ঘৰ" এই চিন্তাই খাই যাবে আৰু তাহানিখন যিবিলাক বাল্যবন্ধুক অকপটে মনৰ কথা ভাঙ্গি ৰং ধেমালি কৰা হৈছিল সেইবিলাক যদি একে সমান অৱস্থাৰ হয় তেন্তে তাঁহাতৰ লগত লগ লাগিবলৈ তিমান বেয়া নালাগে, কিন্তু যদি কোনো এজন বা দুজনৰ অৱস্থাৰ তাৰতম্য হয় তেতিয়া তাঁহাতক একে শাৰীত লবলৈ বা বন্ধু বুলি আগ্ৰহেৰে আগৰ দৰে কথা পাতিবলৈ সাধাৰণতে ইচ্ছা নকৰে, আৰু সেই বাল্যবন্ধু যদি দুখত পৰে তেতিয়া তেওঁক পুতৌ বা সহায় কৰিবৰ দূৰত থাকক, তেওক টকা ধাৰে দি বা আন কোনো ছল কৰি তেঁওৰ মাটি বাৰী কেনেকৈ হাতলৈ আনিব তাৰেহে চেষ্টা কৰা হয়। এনেও দেখা গৈছে যাক লৰাকালত অন্তৰঙ্গ বন্ধু বুলি লৰা কালৰপৰা একেলগে উঠি আহিছে একেলগে ডাঙ্গৰ দীঘল হৈ পঢ়াশুনা কৰি আহিছে তেনে বন্ধুক বিপদত টকা ধাৰে দি সুতৰ সুত উলিয়াই তাৰ মাটিবাৰী লিলামত দি নাইবা নিজে কিনি সেই বন্ধুক ঘৰৰপৰা খেদি দি সেই মাটি নিজেই ভোগ কৰে আৰু কৰিছেও এনে পটন্তৰ বহুত দেখা পোৱা গৈছে, তেতিয়া আৰু সেই লৰাকালৰ অকৃত্ৰিম বন্ধু ভাৱ নাথাকে তেতিয়া বন্ধু এপিনে আৰু ধন সম্পত্তি আন পিনে। সেইদেখিয়েই কওঁ যে বাল্যজীৱনটো দৰাচলতে সুখৰ জীৱন। তাতেকৈ সুখ যেতিয়া লেখা পঢ়া কৰি পৰীক্ষা দি দীঘলীয়া বন্ধ হয় আৰু

বিশেষ বিবিলাকে পৰীক্ষাত ভাল কৰি লেখি কৃতকাৰ্য্য হবৰ আশা কৰে। এতেকে সকলোৱেই মুক্তকণ্ঠে কব যে বাল্যকালটো বৰ সুখৰ জীৱন।

## আলচ।

ফাগুন মাহ। এণ্ট্ৰেন্স পৰীক্ষা দিবৰ নিমিত্তে নগাও, তেজপুৰ জোৰহাট, ধুবুৰি ইত্যাদি নানা ঠাইৰপৰা পৰীক্ষা দিবলৈ অহা লৰাই গুৱাহাটী ভৰি পৰিছে। গুৱাহাটীত ফাগুন মাহত ৰাতিপুৱাবেলাৰ আৰম্ভ কৰি গধুলি চকা মাৰ যোৱাৰ পাছলৈকে আপদীয়া পচোৱা বতাহ বলে, এই বতাহ নিতৌ পশ্চিম ফালৰপৰ পুব ফাললৈ বয় দেখি ইয়াক পচোৱা বতাহ বুলিয়েই কয়। এই বতাহটো ইয়াৰ স্বাভাবিক নিয়ম, এই বতাহ আন ঠাইত আছেনে নাই কব নোৱাৰোঁ, থাকিলেও ইয়াৰ নিচিনা বোধ কৰোঁ নহয়, কিন্তু গুৱাহাটীত হলে মাঘ মাহৰপৰা আৰম্ভ কৰি চত মাহলৈকে এই পচোৱা বতাহে যে কিমান উপদ্ৰৱ কৰে সীমা নাই সেই কেই মাহৰ ভিতৰত মানুহৰ মন বৰ চিন্তাত থাকে—কাৰণ তেতিয়া ব্ৰহ্মপুত্ৰ নৈত ইপাৰ সিপাৰ হোৱাত কিমান মানুহৰ যে নাও ডুবিছে আৰু কিমান যে মানুহ নাও ডুবি মৰিছে তাৰ অন্ত নাই আৰু কোনো ঠাইত ঘৰত জুই লাগি কিমান যে মানুহৰ ঘৰ অগ্নি দেৱতাই পেটত সুমাইছে তাৰ লেখ কৰিব নোৱাৰি; বসুমতী আইৰো গাত ৰস নোহোৱা হয়। একোটা একোটা ফাট মেলি হাঁ পানী হাঁ পানী বুলি জিভা উলিয়াই গছ-গছনি শুকাই মৰিব লগা হয়, ঘাঁহ আৰু বন শুকাই মৰি যায়, মানুহৰ মুখত পানী নথকা হয় দ চাবিও পিনে থৰাং। আলিবাটৰ ধূলি আৰু নৈৰ বালি এই দুইটা মিহলি হৈ ওপৰলৈ উঠি গোটেই গুৱাহাটী যেন ধুৰঁলী-কুৰঁলী কৰি এন্ধাৰ কৰি চাতি ধৰে, যেন প্ৰকৃতিয়ে বসন্তক কোলাত লৈ ফাকু খেলিছে, মানুহৰ ঘৰৰ ভিতৰৰ বিছনা, কাপোৰ-কানি কিতাপ এইবিলাকত ধূলি আৰু বালি এক আঙুলি মান ডাঠ হৈ পৰি থাকে, আলিবাটত ওলাবৰ সাধ্য নাই,নাকে মুখে চকুৱে কাণে ধূলি বালি ছাট ছাত কৰি পৰেহি; এনেকি কেতিয়াবা নিশ্বাস পৰ্য্যন্ত বন্ধ হব খোজে। ব্ৰহ্মপুত্ৰখন তেতিয়া কি চাবা—হাজাৰ হাজাৰ বগা বগা জিভা উলিয়াই ব্ৰহ্মপুত্ৰই খাঁও খাঁও মূৰ্ত্তি ধৰি নিকুলিকাই চিএৰিবলৈ ধৰে আৰু বতাহৰ চেওৱে চেওৱে খেমটা নাচৰ নিচিনাকৈ নাচিবলৈ ধৰে, এথন্তকৰ নিমিত্তেও সাতিৰে নাথাকে, সেই সময়ত যে গুৱাহাটীয়ে কি উগ্ৰ মূৰ্ত্তি ধৰে তাক নেদেখা জনক আঁকি দেখুৱাবলৈ আমাৰ লেখনি অপাৰগ।



আমাৰ পৰীক্ষা শেষ হলত লগ বান্ধি বান্ধি কোনে দলে বশিষ্ঠ আশ্ৰম কোনেদলে কামাখ্যা দৰ্শন কোনো দলে উমানন্দ দৰ্শন যাব যেনে মন সেই মনৰ তৃপ্তি পলোৱা-বলৈ ধৰিলে; আমিও দহ বাৰ জন মানে লগ লাগি ঠিক কৰিলোঁ।

যদি কালি পুৱাৰ ভিতৰত পচোৱা বতাহ নহয় তেন্তে সিপাৰলৈ চিকাৰ কৰিবলৈ যাম। আৰু সেই নিমিত্তে আমাৰ এজন সিপৰীয়া পৰীক্ষা দিয়া বন্ধুক কলোঁ যে যদি কাইলৈ যোৱা হয় তেন্তে ভাটী বেলিকা তোমাৰ তাতেই আদ্দা পাতিম তাতে চাহ জলপান খাম তুমি সকলো ঠিক কৰি থবা। চিকাৰ কৰিবৰ মন কৰি চাওঁ যে আমাৰ লগত চিকাৰি এটিও নাই। তেতিয়া আমাৰ লগত এজন মোছলমান লৰাকো ললোঁ তেওঁ ভাল চিকাৰ কৰিব জানে আৰু এজন পৰীক্ষা দিয়া নদিয়ালৰ লৰাও লগত ললোঁ কাৰণ তেওঁ নাও বাব জানে।

ৰাতি পুৱাল, সূৰ্য্য দেৱতাই লাহেকৈ পুব ফালৰ দুৱাৰখনি মেলি ৰঙামুৱা হৈ পৰ্ব্বতৰ টিঙৰ ওপৰেদি গুৱাহাটীত ভুমুকি মাৰি সকলোকে বিছনাৰপৰা উঠি নিজ কৰ্ত্তব্য কামত লাগিবৰ নিমিত্তে আভাস দিলে। আমিও লাহেকৈ পাটীৰপৰা উঠি ঈশ্বৰক আৰাধনা কৰিলোঁ।—হে প্ৰভু আজি আমি সিপাৰলৈ নাযাওঁ মানে যেন পচোৱা নেমেলা। আমি বৰ আশা কৰিছোঁ, আমাৰ আশাত বিঘিপথালি নহবা এই বুলি মনতে ঈশ্বৰক প্ৰাৰ্থনা কৰি গোঁসাইঘৰত এটা ঘিউৰ চাকি দি সেৱাও কৰিলোঁ।—ঈশ্বৰে আমাৰ প্ৰাৰ্থনাত দয়াচগতে কাণ দিলে, কিয়নো আনদিনা হলে নিচেই পুৱাতে পচোৱাবাও আৰম্ভ কৰে. আৰু গধুলি হলে এৰে, সেইদিনা হলে একমান বজালৈকে বতাহৰ কোনো চিনেই নাই। জগত নিতাল কতো সাৰশুৰ নাই, ব্ৰহ্মপুত্ৰৰ পানী গহীন, আমি আটাইবিলাকে ঘৰে ঘৰে ভাত-পানী খাই কাপোৰ পিন্ধি ওলাই আহি নৈৰ বালিৰপৰা এখন কাৰবাৰ নাও টানি আনি হাতে হাতে একোখন বঠা আৰু দুজনে দাঁড় দুখন লৈ সিপাৰ বুলি নাও মেলি দিলোঁ, আমাৰ লগৰ নদিয়াল বন্ধুজনে গুৰিয়ালৰ কাম অতি সুন্দৰৰূপে কৰা বাবে আধা ঘণ্টা মানৰ ভিতৰতে সিপাৰ পালোঁ। সিপাৰ পাই নাওখন আটাই কেইটাই হতাহতি কৰি ধৰি লাঙ্গি আনি পানীৰ দুৰঁলীৰপৰা বাৰ তেৰ হাত মান আঁতৰত বালিৰ ওপৰত তুলি থলোঁ, কাৰণ সেই নাওখনৰ কোন গৰাকি আমি নাপাওঁ, নোকোৱা-নোবোলা কৈ বালিৰপৰা টানি লৈ আহিছিলোঁ, যদি কোনোবাই পানীৰ দুৰঁলীত পায় ইপাৰলৈ লৈ আহে তেতিয়া আমি কি কৰিম, কেনেকৈ

ইপাৰলৈ আহিম "সাৱধানৰ মাৰ নাই" ইয়াকে ভাবি কোনেও যাতে পানীলৈ নপৰে আনিব নোৱাৰে এনে দৰে দুৰলৈ বালিত তুলি থৈ চিকাৰ বুলি খোজ ললোঁ।

## চিকাৰ আৰম্ভ।

নৈৰ পাৰৰপৰা এখোজ দোখোজ কৰি গৈ আটাইকেইটাই এটা পৰ্ব্বতত উঠিলোঁ। আমাৰ লগৰীয়া সুলতানে হাতত বন্দুক টো লৈ গুলি ভৰাই পৰ্ব্বতৰ অতব্য হাবি ভাঙ্গি ভাঙ্গি তেওঁ আগত গৈছে আৰু আমাক কোনো সাৰশুৰ নোহোৱা কৰি ভৰিৰ ওপৰত ভৰি দি তেওঁৰ পাছে পাছে আহিব দিছিল। আমিও মনে মনে তেওঁৰ পিছে পিছে গৈ আছোঁ। এনেতে "ধুন্" "ধুম্"—চাই পঠিয়াওঁ যে বাৰ হাত মান দূৰৈত দুটা চৰাই এবাৰ মাটিত পৰি আকৌ ধপ্ ধপাই অলপ উৰে আকৌ মাটিত পৰে। আমাৰ চিকাৰিয়ে কাঁইট বন হাবি সকলো কাতি কৰি চৰাইৰ পিছে পিছে দে খেদা। তাকে দেখি আমিও তেওঁৰ পাছে পাছে ভৰানৰা ছিঙি দৌৰ। সেইখিনি সমস্ত যে বনৰীয়া। হাতী বাঘ বা সাপ থাকিব পাৰে তেনে ভাব আমাৰ মনত এখন্তলৈকো অহা নাছিল, আমি তেতিয়া চৰাই-বলিয়া হৈছিলোঁ। অলপ পৰ এই দৰে গৈ চৰাইজুৰি ধৰা গল, দুটী "কপৌ", ভৰি দুখন গুলি লাগি ভাগিছে, ডৌকা এখন ভাগিছে, মুখেৰে হোলাকাহোলোকে তেজ ওলাইছে, তথাপি প্ৰাণৰ নিমিত্তে জপিয়াই জপিয়াই উৰি ফুৰিছে। ইমান প্ৰাণৰ মায়া আমিও আক্ৰমণত পৰিলে আমাৰো সেই গতিয়েই কিন্তু তেতিয়া আমাৰ সেইবিলাকলৈ "ইয়াদেই" নাই।

## দ্বিতীয় চিকাৰ।

প্ৰথম চিকাৰ কৰি গৈ অলপ পৰতে এখন বিল পালোঁ। বিলখনত বগা পদুম ফুলবোৰ ফুলি জকমকাই আছে। তাৰ চাৰিও পিনে নানা বৰণৰ চৰাই মনৰ সুখেৰে চৰি বিলখন কেনে যে শুৱনী কৰিছিল সেই সৌন্দৰ্য্য কবিৰ বাহিৰে আমাৰ নিচিনা কঠুৱা লিখকে আঁকি দেখুৱাবলৈ অক্ষম। প্ৰকৃতি নিতাল, কোনোৰকম হাই উকমি নাই, দুটা এটা মাছে পানীত উফৰি ফুৰিছে, বগলি তপস্বীয়ে পানীৰ দাঁতিত বহি ধ্যান কৰি আছে আৰু মাজে মাজে গম নৌপোৱাকৈ পানীত ঠোঁটটি পেলাই দি সৰু সৰু মাছৰ পোৱালি আনন্দেৰে পিয়া গলত দি গিলিছে, কোনো চৰাইয়ে বনৰপৰা ফৰিং ধৰি আনি তাৰ পোৱালিৰ ঠোঁটৰ ভিতৰত সুমুৱাই দিছে, এই দৰেই সেইবিলাকে মনৰ আনন্দত গা মেলাই ফুৰিছে। তাকে দেখি আমাৰ চিকাৰি সুলতানে বন্দুকৰ ঘোৰাটি খটপ্ কৰি দিবলৈহে পালে—"গুৰুম"



গুম্" এই শব্দেৰে গোটেই খন বিলৰ নিস্তব্ধতা ভঙ্গ কৰি দিলে, সেই প্ৰতিধ্বনি চাৰিওপিনৰ পৰ্ব্বতে পুনৰ ওভতাই পঠিওৱাত আমাৰ কাণত যেন দ্বিতীয় বাৰ শুনিলোঁ "গুৰুম্" "গুৰুম্" "গুম্" "গুম্" চৰাইবিলাকৰ যে কি হাহাকাৰ হল বাকী নাই তাঁহাতৰ থান থিতি নোহোৱাত পৰিল। নিজৰ নিজৰ প্ৰাণটোৰ নিমিত্তে কোনোৱে বুকৰ ওচৰৰ পোৱালী এৰি,মটাটোৱে মাইকীৰ আৰু মাইকীজনীয়ে মটাটোৰ লগ এৰি যি যি পিনে পালে সেই পিনেই দিহা দিহি উৰি গল। যি বিলাকৰ গাত গুলি পৰা নাছিল সেই বিলাকেও বন্দুকৰ শব্দটোতেই গাত বন্দুক পৰিছে বুলি দিক বিদিক জ্ঞান শূন্য হৈ কোনোটো বা মাটিত বাগৰ দি পৰি আকৌ উৰি গল কোনোটো বা পানীত জাপ দি পৰিল, যি বিলাক চৰাইৰ গাত গুলি পৰিছিল সেই বিলাকে ধপধপাই কিছুমানে বামৰ পিনে উৰি উৰি আছিল কিছুমানে বিলৰ মাজলৈ গল—আমি আটাইকেইটাই লগলাগি সেই বিলাক চৰাই ধৰিবৰ নিমিত্তে পাচে পাচে দৌৰি যতে যিটো পালোঁ ততে ধৰি ধৰি হাতত ললোঁ। বামৰ বিলাক গোটোৱা হলত বিলৰ মাজত যি বিলাক চৰাই উৰি গৈছিল সেই বিলাক ধৰিবৰ নিমিত্তে পিটনিত ভৰি দি যিমান দুৰ পাৰোঁ গৈ চৰাই ধৰিলোঁ। সেই সময়ত আমি ইমান উন্মাদ হৈছিলোঁ যে তাত কোনো সাপে যে আমাক খুঁটিয়াব পাৰে এনে এটা ভাবনাই আহা নাছিল। আৰু দুইজনে পিটনিলৈ সোমাই গৈ তাতেই থাকিব লগা হৈছিল। কাৰণ তেওঁলোক দুই জনে পিটনিত ভোৰ ভোৰ কৰি একঁকাললৈকে পোত গৈছিল, তেতিয়া সেই দুইজনে ইফালেও আহিব নোৱাৰা হল সিফালেও যাব নোৱাৰা হল, এখন ভৰি ডাঙ্গিলে সিখন ভৰি, আৰু সেইদৰে সিখন ভৰি ডাঙ্গিলে ইখন ভৰি পিটনিত সোমাই যাই, শেষত তেওঁলোকৰ গতি বিষম যেন দেখি আমি কেইজন মানে লগলাগি হাতত ধৰাধৰি কৰি টানি আনিহে সেই দুজনক সেইদিনা পিটনিৰ পৰা উদ্ধাৰ কৰিলোঁ। এই দৰেই চৰাইবিলাকক ধৰি আনি দুই তিনিতা কৰি একেলগে বান্ধি কান্ধত পেলাই লৈ হেলা ৰঙ্গে হাহি মাতি বনৰ মাজে মাজেই আহি আছি এঠাইত ডৰিক চৰাই দেখি আকৌ গুলি কৰিলে। আমাৰ চিকাৰী জন দৰাচলতে বৰ ভাল চিকাৰী কিয়নো তেওঁৰ হাতৰ গুলি এটাও ব্যৰ্থ হৈ যোৱা নাছিল অব্যৰ্থ সন্ধান, মাৰোঁ বুলিয়েই মাৰে। ডৰিকটোৰ ভৰিত গুলি পৰা বাবে সি উৰা মাৰি গৈ এডাল গছত পৰিল, কিবৰ কোবত ততা নাপাই আন এডাল গছত পৰিল এই দৰে ইডালৰ পৰা সিডাল আকৌ সিডালৰপৰা

ইডালত পৰি পৰি উৰি গৈ আছে আমিও পাচে পাচে খেদি আছোঁ, কিমান যে অতব্য হাবি আৰু বননি, ভাগ্নি ভাগ্নি গহীন বনত সোমালোঁ আমি কবই নোৱাৰোঁ, অতব্য হাবি আমাৰ তালৈ ভ্ৰুক্ষেপেই নাই, আমি হাবিলৈ চোৱাই নাছিলোঁ। আমাৰ চকু চৰাইতহে। শেষত চৰাইটোৰ ভাগৰ লাগি মাটিত পৰিল তেতিয়াও সি মৰা নাছিল—আমাৰো ভাগৰ লাগিছিল আগেয়ে বিশান বিলাক চৰাই মাৰিছিল এটাও সুলটানৰ ভাগতপৰা নাছিল কাৰণ ধৰাৰ আগেয়ে মৰে. এই ডৰিকটো মৰা নাছিল. সেইদেখি সুলটানে চৰাইটো ধৰি "এইটো মোৰ ভাগৰ" এই বুলি কৈ জেপৰপৰা ছুৰীখন ওলিয়াই লৈ "লাই লাহা ভিস্‌মিল্লা" বুলি গলত এটা ৰেপ দি গলটো আধা-কটা কৰি হালাল কৰি নিজে কান্ধত পেলাই ললে।

এই ডৰিক খেদাত আমি বৰ দুখ পালোঁ, প্ৰায় এমাইল মান বনৰ মাজে মাজে দৌৰি বৰ ভাগৰ লাগিছিল। তেতিয়া আমাৰ আৰু চিকাৰ কৰিবলৈ মন নোযোৱা হল, তাতে অলপ জিৰণি লৈ অলপ আহি সিপাৰত থকা বন্ধুজনৰ ঘৰ ওলালোঁহি। তেতিয়া প্ৰায় তিনি মান বাজিছে তাতে চাহ এটুপি পেটত পেলাই ঘৰলৈ বুলি ব্ৰহ্মপুত্ৰৰ পিনে খোজ ললোঁ। কিন্তু চাহ খাই উঠাত গাৰ ভাগৰ গুচা বাবে আমি আকৌ বনৰ মাজেদিয়েই আহিবলৈ ধৰিলোঁ, কি জানি বাটত এটা দুটা হাতৰ পাছ পাওঁৱেই। এই দৰে আহি অলপ পৰতে এডাল গছৰ ঠাণিত এহাল বৰ ধুনীয়া চৰাই দুটা পোৱালীৰে বহি থকা পালোঁ—সুলটানে বন্দুক ঠিক কৰি গুলি মৰা মাত্ৰকে মটা চৰাইটো আৰু এটা পোৱালী ততালিকতে মাটিত পৰিল—আমি এইবেলি কোনো কষ্ট নকৰা কৈ চৰাই দুটা পালোঁ কাৰণ গুলি চৰাইটোৰ বুকে দি ফুটি গৈছিল, গতিকে মাটিত পৰাৰ আগেয়েই তাহাঁতৰ জীৱ গৈছিল চৰাই দুটা হাতত লৈ মহাবিপদত হে পৰিলোঁ। আৰু বৰ বেজাৰো লাগিল। সেই হাল চৰাইৰ যিটো মাইকী চৰাই আৰু এটা পোৱালি আছিল তাহাঁত দুইটাই আমাৰ পাচে পাচে, এডাল গছৰ পৰা সিডাল গছত পৰি পিওঁ পিওঁ কৰি কান্দি কান্দি আহিছিল মাইকীটোৰ পাচত পোৱালীটোও আহিছিল, তাহাঁতৰ মাত যদিও বুজিব পৰা নাছিলোঁ কিন্তু তাহাতৰ অৱস্থা চাই এনেহে এটা ভাব আহিছিল যেন সেই চৰাই দুটাই আমাক কান্দি কান্দি কৈছিল যে "মোৰ লগৰ চৰাইটো আৰু মোৰ মৰমৰ পোৱালীটো তইঁতে মোৰ বুকু উদং কৰি কলৈ নিব খুজিছ, আমি দুইটাই পাচে পাচে আহিছোঁ সেই দুটাক এৰি দে আমি বনৰ চৰাই



বনলৈ যাওঁ তইঁতে আমাৰ সুখত কিয় বিঘিনি কৰিছ আমি নিমাত চৰাই বনৰ মাজত থাকোঁ বনৰ গুটি খাওঁ এতেকে কেতিয়াও কোনো হানি কৰা নাই এনেস্থলত কিয় লগৰ পৰা কাঢ়ি নিয় এতিয়াও এৰি দে নিদিয় যদি আমিও লগে লগে গৈ থাকিম"—পিওঁ পিওঁ কৰি এনে এটা ভাষাৰে ব্যক্ত কৰিছিল যেন লাগিছিল। ইপিনে বন্দুকটো দেখা পাই গছৰ আৰত কেতিয়াবা লুকাই এইদৰেই পাচে পাচে আহি আছে, এনেকৈ এবাৰ আমি গম নোপোৱা কৈ যি জন লবাই মৰা পোৱালীটো আৰু মটা চৰাইটো আনিছিল তাৰ মুৰৰপৰা একোছা চুলি নখেৰে টানিলৈ গল তথাপি চৰাইটোৰ হেপাহ নপলাল শেহত এই দৰে চিঞৰি চিঞৰি আমাৰ পাচে পাচে নৈৰ পাৰলৈকে আহি সন্ধ্যা লগালৈকে এডাল গছত পৰি পিওঁ পিওঁ কৰি মাতি আছিল। সন্ধ্যা হোৱাৰ পাচত সেই চৰাই দুটা তাতেই থাকিলনে আন ঠাইলৈ গল গম নাপালোঁ। সেই চৰাইটোৰ এনে আননি বিননি দেখি মোৰ মনত তেতিয়া যে কি ভাব হৈছিল কব নোৱাৰোঁ, আৰু সেই দিনাৰপৰা মনত থিৰ কৰিলো যে আজিৰপৰা আৰু কেতিয়াও চিকাৰ কৰিবলৈ নাযাওঁ আৰু চিকাৰ কৰা কোনো জন্তু বা চৰাই নাখাওঁ। মই এজন বৰ শাক্ত আমাৰ ঘৰত বাৰতা মাহত তেৰতা পাৰ্ব্বণ লগা আছে এটা পূজাও আমাৰ ঘৰৰপৰা বাদ নাযায় আৰু পাঠা বলিও হয় আৰু সেই বলিৰ সময়ত আমি আপোন পাহৰা হওঁ কিন্তু সেই দিনাখনৰপৰা মনৰ ভাব আন পিনে ঢাল ললে আৰু বলি কটা দেখিলে বুকুখন চিৰিং চিৰিং কৰিবলৈ ধৰে আৰু ধপধপনি ধৰে। ঈশ্বৰৰ লীলা বুজা টান কোন মানুহৰ কেতিয়া কি মত সলনি হয় কোনে কব।

ক্ৰমশঃ।

শ্ৰীদুৰ্গানাথ বৰুৱা।

---

## জোৰণ দিবলৈ যোৱাৰ নাম।

হিমালয়ত আছে কন্যা পৰম সুন্দৰী।
জোৰণ লৈ যোৱাঁ শুভক্ষণে যাত্ৰা কৰি।
হৰৰ সম্ভাৰ লৈ হিমালয়ে যোৱাঁ।
গৌৰীৰ হাতত দি সমন্ধ ঘটোৱাঁ।
আহি গৌৰীৰ সঙ্গে হৰৰ সমন্ধ হৈবেক।
সুমঙ্গল ঘট লৈ পালটি আহক।
মঙ্গল সেন্দুৰ লৈ যোৱাঁ শুভক্ষণে।
বাহুতও উৰুলি পাৰোক ঘনে ঘনে।

শ্ৰীপদ্মাৱতী ফুকননী।

---